সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্রা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ৩৬ সংখ্যা, ১৮ ভাদ , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 36 Date Of Publication -4 September 2022 Rs.10.00/-

## ৰাষ্ট্ৰীয় ক্ৰীড়াত পদক বিজয়ী প্ৰতিগৰাকীকে চৰকাৰী চাকৰি প্ৰদান কৰা হ'বঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা

ৰঙিলী বাৰ্ত্তাসেৱা- গুজৰাটত অনুষ্ঠিত হ'ব লগা ৰাষ্ট্ৰীয় ক্ৰীড়াত পদক বিজয়ী প্ৰতিগৰাকীকে একোটাকৈ চৰকাৰী চাকৰি প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়। অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ জন্মদিন উপলক্ষে ক্ৰীড়া আৰু যুব কল্যাণ বিভাগৰ উদ্যোগত আয়োজিত ক্ৰীড়া পেন্সন দিৱসত অংশ লৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে ৰাজ্যত ক্ৰীড়াৰ ক্ষেত্ৰখন অধিক সবল কৰাৰ বাবে প্ৰতিখন জিলাতে ষ্টেডিয়াম নিৰ্মাণৰ লক্ষ্যৰে ৫০০ কোটি টকা ব্যয় কৰাৰ কথাও ঘোষণা কৰে। জনতা ভৱনৰ মুখ্যমন্ত্ৰীৰ সভাকক্ষত অনুষ্ঠিত ক্ৰীড়া পেন্সন দিৱসত মুখ্যমন্ত্ৰী ড° শৰ্মাই বাৰ্মিংহাম কমনৱেলথ গেমছত স্বৰ্ণ বিজয়ী নয়নমণি শইকীয়াক আনুষ্ঠানিকভাৱে উপ-আৰক্ষী অধীক্ষক পদত নিযুক্তি-পত্ৰ প্ৰদান কৰাৰ লগতে ৫০ লাখ টকাৰ এখন চেক প্ৰদান কৰে। নয়নমণি শইকীয়াক চৰকাৰী চাকৰি প্ৰদানৰ লগতে ৰাজ্যৰ চাৰিগৰাকী বিশিষ্ট ক্ৰীড়াবিদক ৫০ হাজাৰ টকাৰ এককালীন সাহায্য, চাৰিগৰাকী ক্ৰীড়াবিদক ১০ হাজাৰ টকাকৈ নিয়মীয়া ক্ৰীড়া পেন্সন আৰু চাৰিগৰাকী এন চি চি কেডেটক বীৰ চিলাৰায় বঁটা প্ৰদান কৰে। এই উপলক্ষে অনুষ্ঠিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- অসমত পেছাদাৰী ক্ৰীড়াৰ বিশেষ অস্তিত্বই নাছিল। তেনে সময়ত ১৯৬৬ চনত এছিয়ান গেমছত স্বৰ্ণপদক জয় কৰি ভোগেশ্বৰ বৰুৱাই অসমৰ ক্ৰীড়া ক্ষেত্ৰত সোণালী অধ্যায়ৰ সূচনা কৰিছিল। এইগৰাকী বিশিষ্ট ক্ৰীড়াবিদে দেখুৱাই যোৱা পথেৰে অগ্ৰসৰ হৈ আজি অসমৰ নতুন প্ৰজন্মই ক্ৰীড়াৰ ক্ষেত্ৰখনত সবল খোজ পেলাবলৈ সক্ষম হৈছে। ৰাজ্যৰ ক্ৰীড়া জগতলৈ আগবঢ়োৱা অৱদানৰ প্ৰতিশ্ৰদ্ধা নিবেদন কৰি বিগত বৰ্ষৰ পৰা অসম চৰকাৰে ভোগেশ্বৰ বৰুৱাৰ জন্মদিনটো ক্ৰীড়া পেন্সন দিৱস হিচাপে উদযাপন কৰি আহিছে। ভাষণ প্ৰসংগত তেওঁ পুনৰ কয়- দৃঢ় মন আৰু একাগ্ৰ লক্ষ্যৰে কঠোৰ পৰিশ্ৰমৰ জৰিয়তে দেশমাতৃক ধন্য কৰাৰ মানসিকতা থকাৰ বাবে নয়নমণি শইকীয়াই এই সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া অথবা অলিম্পিক, এছিয়ান গেমছত এগৰাকী খেলুৱৈয়ে দ্বিতীয়বাৰৰ



বাবে পদক লাভ নকৰিলে আমি সমালোচনা কৰা উচিত নহয়। আমি বিচাৰো প্ৰতিখন আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়াত দ্বিতীয় এগৰাকী হিমা, লাভলিনাই পদক লাভ কৰক। চাৰি বছৰ পাছত অনুষ্ঠিত অলিম্পিক বা এছিয়ান গেমছত পূৰ্বে পদক লাভ কৰা খেলুৱৈগৰাকীয়ে পদক লাভ নকৰিলে যি এক প্ৰতিক্ৰিয়া হয়, সেয়া উচিত নহয়। আমি মাত্ৰ খেলুৱৈগৰাকীয়ে যি সময়ত পদক লাভ কৰিছিল, সেই বিৰল মুহূৰ্তটো স্মৃতিৰ মণিকোঠত সজীৱ কৰি ৰাখিম। খেলুৱৈসকলক লৈ আমাৰ ধাৰণা সলনি কৰাৰ প্ৰয়োজন আহি পৰিছে। মুখ্যমন্ত্ৰীয়ে অসমত নতুন খেলুৱৈ সৃষ্টিৰ ক্ষেত্ৰত উদগনি যোগাই যাবৰ বাবে নয়নমণি শইকীয়াক আহ্বান জনাই। তেওঁ লগতে কয়- নতুন সংহত ক্ৰীড়া নীতি অনুসৰি অলিম্পিক, এছিয়ান গেমছ অথবা কমনৱেলথ। গেমছত পদক বিজয়ীসকলক তেওঁলোকৰ

( তিনিপৃষ্ঠাত চাওক)

## 'ৰিহেবিলিটেচন চেণ্টাৰ'ৰ স্বত্বাধিকাৰীসকলৰে এক বৈঠকত মিলিত মন্ত্ৰী পীযুষ হাজৰিকা




ৰঙিলী বাৰ্ত্তাসেৱা- 'ৰিহেবিলিটেচন চেণ্টাৰ'সমূহৰ বিৰুদ্ধে কঠোৰ হৈছে ৰাজ্য চৰকাৰ। সমগ্ৰ বিষয়টো পৰ্যালোচনা কৰাৰ উদ্দেশ্যে অসম আৰক্ষী আৰু স্বাস্থ্য বিভাগৰ বিষয়াৰ লগতে গুৱাহাটী পৌৰ নিগমৰ আয়ুক্তৰ উপস্থিতিত সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকাই গুৱাহাটীস্থিত 'ৰিহেবিলিটেচন চেণ্টাৰ'ৰ স্বত্বাধিকাৰীসকলৰে এক বৈঠকত মিলিত হয়। বৃহস্পতিবাৰে গুৱাহাটীৰ এটা ব্যক্তিগত ৰিহেবিলিটেচন চেণ্টাৰ' আকস্মিকভাৱে পৰিদৰ্শন কৰাৰ সময়ত আৱাসীসকলৰ বাবে ন্যূনতম সুবিধাও দেখা নাপাই মন্ত্ৰী

( তিনিপৃষ্ঠাত চাওক)

## ভাৰতৰ নৌসেনাত অন্তৰ্ভুক্ত হ'ল সৰ্বশক্তিমান যুদ্ধ জাহাজ

ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতৰ প্ৰথমখন গৃহনিৰ্মিত বিমান বাহক আইএনএছ বিক্ৰান্তে দেশৰ নৌ শক্তি বৃদ্ধি কৰিবলৈ সাজু হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কোচীত কোচিন শ্বিপয়াৰ্ড লিমিটেডে নিৰ্মাণ কৰা দেশৰ প্ৰথম স্বদেশী বিমানবাহক জাহাজ আই এন এছ বিক্ৰান্ত নৌসেনাক অৰ্পণ কৰে। ২০, ০০০ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা আই এন এছ বিক্ৰান্ত ভাৰতৰ সাগৰীয় ইতিহাসত এতিয়ালৈ সৰ্ববৃহৎ যুদ্ধ জাহাজ। ভাৰতত নিৰ্মাণ হ'বলগীয়া সৰ্ববৃহৎ যুদ্ধজাহাজ আইএনএছ বিক্ৰান্ত ২৬২ মিটাৰ দীঘল আৰু ৬২ মিটাৰ বহল। ইয়াৰ ৩০ খন যুঁজাৰু বিমান আৰু হেলিকপ্টাৰ ধৰি ৰখাৰ ক্ষমতা আছে। আইএনএছ বিক্ৰমাদিত্যৰ পিছত ই হ'ব দেশৰ দ্বিতীয় খন বিমান বাহক যুদ্ধ জাহাজ, যাক ৰাছিয়াৰ প্লেটফৰ্মত নিৰ্মাণ কৰা হৈছিল। ইয়াৰ আকাৰ বুজিবলৈ সহজ ভাৱে ক'বলৈ গ'লে, যুদ্ধজাহাজখন দুখন ফুটবল খেলপথাৰৰ দৰে ডাঙৰ। নিৰ্মাণ



হ'বলৈ এক দশকতকৈও অধিক সময় লোৱা যুদ্ধ জাহাজখনত ১৬ খন বিচনাযুক্ত চিকিৎসালয়, ২৫০ খন টেংকাৰ ইন্ধন আৰু ২, ৪০০ টা কম্পাৰ্টমেণ্ট আছে। আই এন এছ বিক্ৰান্তৰ এয়াৰক্ৰাফ্ট কেৰিয়াৰৰ হেংগাৰদুটা অলিম্পিক আকাৰৰ পুলৰ দৰে ডাঙৰ। আৰম্ভণিতে, যুদ্ধ জাহাজখনে মিগ যুঁজাৰু বিমান আৰু কিছুমান হেলিকপ্টাৰ কঢ়িয়াই নিব। নৌসেনাই যুদ্ধজাহাজৰ আদেশ পোৱাৰ পিছত বিমান চলাচলৰ পৰীক্ষণ চলাব। আই এন এছ বিক্ৰান্তত থকা চাৰিটা ইঞ্জিনে একেলগে ৮৮ মেগাৱাট বিদ্যুৎ নিৰ্মাণ কৰে। যি এখন চহৰ যোগান ধৰাৰ বাবে পৰ্যাপ্ত। ই উৎপাদন কৰিব পৰা বিদ্যুতে ৫, ০০০ ঘৰ আলোকিত কৰিব পাৰে। অত্যাধুনিক সুবিধাৰে সজ্জিত, যুদ্ধজাহাজখনক "চলি থকা চহৰ" হিচাপে চিহ্নিত কৰা হৈছে। ইয়াত তিনিটা গেলি, বা পেণ্ট্ৰী আছে, য'ত কফি-ভেণ্ডিং মেচিন, টেবুল আৰু চকী আছে, আৰু ডাঙৰ বাচন-বৰ্তন ৰখাৰ স্থান আছে। আই এন এছ বিক্ৰান্তত একে সময়তে প্ৰায় ৬০০ জন কৰ্মচাৰীয়ে তেওঁলোকৰ আহাৰ গ্ৰহণ কৰিব পাৰে। ইয়াত এক যন্ত্ৰ আছে যি ঘণ্টাত ৩, ০০০ ৰুটি বনাব পাৰে।

১৮ ভাদ ১৪২৭ চন Rongili Barta, Date of Publication-- 4 September, 2022

# অসমৰ মুখ্য সচিব জিষ্ণু বৰুৱালৈ আনুষ্ঠানিক বিদায় সম্বৰ্দ্ধনা আৰু নৱ নিযুক্ত মুখ্য সচিব পবন কুমাৰ বৰঠাকুৰক আদৰণি

ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ মুখ্য সচিব জিষ্ণু বৰুৱাই অৱসৰ গ্ৰহণ কৰে। উল্লেখযোগ্য যে, ১৯৮৮ চনত ভাৰতীয় প্ৰশাসনীয় সেৱাত যোগদান কৰি সুদীৰ্ঘ ৩৪ বছৰ কাল বিভিন্ন পদত কাৰ্যনিৰ্বাহ কৰি অসমৰ মুখ্য সচিবৰূপে তেখেতে অৱসৰ গ্ৰহণ কৰে। সেই উদ্দেশ্যে জনতা ভৱনৰ চি এম ব্লকৰ সভাগৃহত মুখ্যসচিব গৰাকীৰ বিদায় সম্বৰ্দ্ধনা আৰু নৱনিযুক্ত মুখ্য সচিব পবন কুমাৰ বৰঠাকুৰক আদৰণি জনোৱাৰ উদ্দেশ্যে এখন সভা অনুষ্ঠিত হয়। তদুপৰি এই দিনটোতে ৩৫ বছৰীয়া চাকৰিৰ কাৰ্যকাল সমাপ্ত কৰা অতিৰিক্ত মুখ্য সচিব এম চি জহ্‌ৰী আৰু আয়ুক্ত সচিব ৰাণী কাঠাৰ্পীকো বিদায় সম্ভাষণ জনোৱা হয়। সচিবালয়ৰ জ্যেষ্ঠ বিষয়াসকলৰ লগতে ভিডিঅ' কনফাৰেন্সিঙ মাধ্যমেৰে জিলাসমূহৰ উপায়ুক্তসকলে ভাগ লোৱা এই অনুষ্ঠানত অতিৰিক্ত মুখ্য সচিব ক্ৰমে ৰবি শংকৰ প্ৰসাদ আৰু আশীষ ভূটানী, প্ৰধান সচিব





অৰ্চনা বাৰ্মা, আয়ুক্ত সচিব ক্ৰমে জি ডি ত্ৰিপাঠী আৰু কবিতা পদ্মনাভনে জিষ্ণু বৰুৱাকে ধৰি বিদায়ী বিষয়া তিনিগৰাকী আৰু নৱ নিযুক্ত মুখ্য সচিবগৰাকীৰ কৰ্মদক্ষতা সম্পৰ্কত অৱলোকন কৰে। বিদায়ী মুখ্য সচিব জিষ্ণু বৰুৱাক বিষয়াসকলৰ উপৰি বিজ্ঞ সমাজে তেখেতক এগৰাকী বিশিষ্ট বুদ্ধিজীৱি-সাহিত্যিক হিচাপে সদায় মনত ৰাখিব বুলি সকলোৱে মন্তব্য কৰে। চাকৰি কালত বিভিন্ন ক্ষেত্ৰত গ্ৰহণ কৰা বলিষ্ঠ পদক্ষেপ বিশেষকৈ সদ্ভাৱনা প্ৰকল্প সুচাৰুৰূপে সম্পন্ন কৰাৰ ক্ষেত্ৰত মুখ্য সচিবগৰাকীৰ ভূমিকা কৃতজ্ঞতাৰে স্বীকাৰ কৰে। অনুষ্ঠানত বিদায়ী মুখ্য সচিব জিষ্ণু বৰুৱা, এম চি জহ্‌ৰী আৰু ৰাণী কাঠাৰ্পীৰ লগতে সদ্য নিযুক্ত মুখ্য সচিব পবন কুমাৰ বৰঠাকুৰেও নিজৰ নিজৰ অনুভৱ বিশদভাৱে ব্যক্ত কৰে।

# অসমৰ জাতীয় জীৱনৰ এগৰাকী স্বনামধন্য ব্যক্তিক হেৰুৱালোঁঃ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল

ৰঙিলী বাৰ্ত্তাসেৱা- “প্ৰথিতযশা সাহিত্যিক, শিক্ষাবিদ, চিন্তাবিদ তথা আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, অসমৰ প্ৰাক্তন সঞ্চালক ড° প্ৰফুল্ল মহন্তদেৱে অতুলনীয় সৃষ্টিৰাজিৰে অসমৰ বৌদ্ধিক তথা সাহিত্য জগতক সমৃদ্ধ কৰি থৈ গৈছে। তেখেতৰ বিয়োগত আমি অসমৰ জাতীয় জীৱনৰ এগৰাকী স্বনামধন্য ব্যক্তিক হেৰুৱালোঁ।”- ড° প্ৰফুল্ল



মহন্তৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰি কেন্দ্ৰীয় মন্ত্ৰী তথা অসমৰ সাংসদ সৰ্বানন্দ সোণোৱালে এনেদৰে উল্লেখ কৰে। ড° প্ৰফুল্ল মহন্তদেৱৰ বিদেহ আত্মাৰ সদ্গতি কামনা কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সোণোৱালে গভীৰ সমবেদনা জ্ঞাপন কৰে। নিৰলস সাধনাৰে মহন্তদেৱে অসমৰ সমাজ জীৱনলৈ যি অনবদ্য অৱদান আগবঢ়াই থৈ গ'ল, সেয়া চিৰস্মৰণীয় হৈ ৰ'ব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

# জাকতজিলিকাকৈ গঢ়ি তোলা হ'ব ৰাজ্যৰ প্ৰতিখন হাইস্কুল

ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ শিক্ষা ব্যৱস্থাক লৈ দিল্লীৰ মুখ্যমন্ত্ৰীৰ সৈতে টুইটাৰ যুদ্ধৰ মাজতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কৰিছে এক গুৰুত্বপূৰ্ণ ঘোষণা। ৰাজ্যৰ হাইস্কুলসমূহৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ১০ হাজাৰ কোটি টকা ব্যয় কৰিব ৰাজ্য চৰকাৰে।জাকতজিলিকাকৈ গঢ়ি তোলা হ'ব ৰাজ্যৰ প্ৰতিখন হাইস্কুল। এই সন্দৰ্ভত শেহতীয়াকৈ মুখ্যমন্ত্ৰী ড° হিমন্ত



বিশ্ব শৰ্মাই কয় যে, ‘ব্যক্তিগত খণ্ডৰ বিদ্যালয়তকৈও অসমৰ চৰকাৰী বিদ্যালয়সমূহ সৰ্বাংগসুন্দৰ হ'ব। আন্তঃগাঁথনি উন্নয়নৰ জৰিয়তে অসমৰ চৰকাৰী বিদ্যালয়সমূহ ডনবস্ক', ছেইণ্ট মেৰিজতকৈও আকৰ্ষণীয় কৰি গঢ়ি তোলা হ'ব। আমি ইতিমধ্যে ১০০খন নতুন বিদ্যালয় চাহ বাগিচাত স্থাপন কৰিছোঁ আৰু ১০০খন বিদ্যালয় স্থাপন কৰিম।’

# আৰক্ষীৰ দক্ষ খেলুৱৈসকলক লৈ গঠন হ'ব এথলেটিকছ দল

ৰঙিলী বাৰ্ত্তাসেৱা- ডিএচপি পদত নিযুক্তি লাভ কৰাৰ পিছত প্ৰথমবাৰৰ বাবে ডিএচপিৰ পোছাকত দেৰগাঁও আৰক্ষী প্ৰশিক্ষণ মহাবিদ্যালয়ত উপস্থিত হয় আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন দৌৰবিদ ধিং এক্সপ্ৰেছ হিমা দাস। খেলুৱৈগৰাকীক মহাবিদ্যালয়ৰ অধ্যক্ষ দেৱাশিস শৰ্মাই আদৰণি জনায়। দৌৰবিদগৰাকীক কাষত পাই প্ৰশিক্ষণ গ্ৰহণ কৰি থকা জোৱানসকলো আনন্দিত হৈ পৰে। আৰক্ষী প্ৰশিক্ষণ



মহাবিদ্যালয়ৰ বিভিন্ন গোটত প্ৰশিক্ষণ গ্ৰহণ কৰি থকা নৱনিযুক্ত ২১৪৮ গৰাকী অসম আৰক্ষী জোৱানক উদেশ্য কৰি হিমা দাসে গুৰুত্বপূৰ্ণ বক্তব্য প্ৰদান কৰে।হিমা দাসে কয় যে, ‘অসম আৰক্ষীক লৈ প্ৰথমবাৰৰ বাবে গঠন হ'ব এথলেটিকছ দল। ৰাজ্যৰ ডি জি পি ভাস্কৰজ্যোতি মহন্তৰ নিৰ্দেশ অনুসৰি অসম আৰক্ষীৰ দক্ষ খেলুৱৈসকলক একত্ৰিত কৰি অচিৰেই গঠন কৰা হ'ব এই নতুন এথলেটিকছ দল।’

# দীপাৱলীৰ পূৰ্বে মুকলি হ'ব জিঅ'ৰ ৫জি সেৱা

ৰঙিলী বাৰ্ত্তাসেৱা- দীপাৱলীৰ পূৰ্বে মুকলি হ'ব জিঅ'ৰ ৫জি সেৱা। এই বছৰ দীপাৱলীত দেশৰ মহানগৰসমূহকে ধৰি বহুতো মুখ্য চহৰত জিঅ'ৰ ৫জি নেটৱৰ্ক সুবিধা উপলব্ধ হ'ব। ৰিলায়েন্স ইণ্ডাষ্ট্ৰিজ লিমিটেডৰ অধ্যক্ষ আৰু পৰিচালন সঞ্চালক মুকেশ আম্বানীয়ে কোম্পানীৰ বাৰ্ষিক সভাত এই ঘোষণা কৰে। মুকেশ আম্বানীয়ে কয় যে, ‘দুমাহৰ পিছত অহা দীপাৱলী উপলক্ষে জিঅ'ই দিল্লী, মুম্বাই, কলকাতা আৰু চেন্নাইৰ দৰে মহানগৰৰ উপৰিও দেশৰ বহুতো মুখ্য চহৰত জিঅ'ৰ ৫জি সেৱা আৰম্ভ কৰিব। জিঅ' ৫জক ১০ কোটিৰো অধিক ঘৰত অদ্বিতীয় ডিজিটেল অনুভৱ আৰু স্মাৰ্ট হোম ছলুশ্যনৰে জড়িত কৰিব। ৫জি নেটৱৰ্কত ৰিলায়েঞ্চে ২ লাখ কোটি বিনিয়োগ কৰিছে। জিঅ' ৫জিৰ




সৈতে, ৰিলায়েঞ্চে সকলোকে সকলো স্থানত আৰু সকলো বস্তু উত্তম গুণমান আৰু আটাইতকৈ ইক'নমিকেল ডাটাৰে সংযুক্ত কৰিব। ভাৰতৰ প্ৰয়োজন পূৰণ কৰাৰ উপৰি, আমি বৈশ্বিক বজাৰত ডিজিটেল সমাধান আগবঢ়াবলৈ আত্মবিশ্বাসী। জিঅ'ৰ ৫জি কেৱল একাংশ লোকৰ বাবে নহয়, আমি সৰ্বভাৰতীয় আঁচনি প্ৰস্তুত কৰিম।’

# নাৰীৰ বিৰুদ্ধে অপৰাধত একেৰাহে পাঁচ বছৰ শীৰ্ষত অসম



ৰঙিলী বাৰ্ত্তাসেৱা- নাৰীৰ বিৰুদ্ধে অপৰাধৰ হাৰ একেৰাহে পাঁচ বছৰ শীৰ্ষত অসম। যোৱা বছৰ অসমত নাৰীৰ বিৰুদ্ধে অপৰাধৰ হাৰ আছিল ১৬৮.৩ শতাংশ। ই আছিল ৰাষ্ট্ৰীয় হাৰ ৬৪.৫ শতাংশতকৈ বহু বেছি। যোৱা বছৰ দিল্লী আছিল দ্বিতীয় স্থানত (১৪৭.৬শতাংশ)। উল্লেখযোগ্য যে অপৰাধৰ হাৰ প্ৰতি ৰ লাখ জনসংখ্যাত হোৱা মুঠ অপৰাধৰ পৰা উলিওৱা হয়। ২০১৭ চনত অসমত নাৰীৰ বিৰুদ্ধে অপৰাধৰ হাৰ আছিল ১৪৩.৩ শতাংশ। ২০১৮ চনত ১৬৬শতাংশ, ২০১৯ চনত ১৭৭ শতাংশ আৰু ২০২০ চনত ১৫৪.৩শতাংশ। ইফালে, নাৰীৰ বিৰুদ্ধে অপৰাধৰ মুঠ গোচৰৰ ৫২.৯ শতাংশৰহে অভিযোগনামা যোৱা বছৰ দাখিল কৰা হৈছিল।

# ৫ অক্টোবৰত গুৱাহাটীত মহাবিজয়া দশমীৰ আয়োজন



ৰঙিলী বাৰ্ত্তাসেৱা- ক'ভিড মহামাৰী আৰু অন্যান্য অনিবাৰ্য কাৰণবশতঃ চাৰি বছৰৰ ব্যৱধানৰ পাছত এইবাৰ বিজয়া দশমী সম্পূৰ্ণ জাকজমকতাৰে উদ্যাপন কৰা হ'ব। আয়োজকসকলে উল্লেখ কৰামতে গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত ৫ অক্টোবৰত ৰামলীলা আৰু ৰাৱণ দাহন কাৰ্যসূচীৰে উদ্যাপন কৰা হ'ব মহাবিজয়া দশমী। মহাবিজয়া দশমীৰ প্ৰতিষ্ঠাপক সদস্য আৰু আয়োজক সমিতিৰ অধ্যক্ষ ৰাম নিৰঞ্জন গোৰেংকাই এই বছৰৰ অনুষ্ঠানটো বিলাস বহুলভাৱে উদ্যাপন কৰাৰ বাবে আগ্ৰহ কৰিছিল যদিও দুৰ্ভাগ্যবশতঃ তেওঁ মে' মাহত শেষ নিশ্বাস ত্যাগ কৰে।চলিত বৰ্ষৰ অনুষ্ঠানটোৰ বাবে জয়প্ৰকাশ গোৰেংকাক অধ্যক্ষ, সুধীৰ আগৰৱালাক সভাপতি, অৰুণ শৰ্মাক উপ সভাপতি আৰু দীনেশ মংগলুনিয়াক সম্পাদক হিচাপে লৈ এখন নতুন সমিতি গঠন কৰা হৈছে। উক্ত সমিতিখনে নতুন প্ৰযুক্তি আৰু উদ্ভাৱনি ধাৰণাৰ এই বছৰৰ মহাবিজয়া দশমী উৎসৱটো পালনৰ সিদ্ধান্ত লৈছে। আয়োজকসকলে সদৰি কৰা মতে চলিত বৰ্ষৰ মহাবিজয়া দশমীক বিশেষভাৱে উদ্যাপন কৰা হ'ব কিয়নো অসমত বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সবল নেতৃত্বতে অসমে এখন প্ৰকৃতাৰ্থত 'ৰাম ৰাজ্য' লাভ কৰিবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰীৰ নিৰ্দেশনাত ৰাজ্য চৰকাৰেও আনকি এই বছৰৰ মহাবিজয়া দশমীৰ কাৰ্যসূচীলৈ আন্তৰিকতাৰে সমৰ্থন আগবঢ়াইছে। অসমীয়া ছবি জগতৰ জনপ্ৰিয় অভিনেত্ৰী নিশিতা গোস্বামীয়ে চলিত বৰ্ষৰ সামগ্ৰিক অনুষ্ঠানটোত সম্ভাৱনাদূত হিচাপে অনুষ্ঠানটোৰ সৈতে সম্পৰ্ক স্থাপন কৰিবলৈ সন্মতি জনাইছে। উল্লেখ্য, আয়োজক সমিতিয়ে এইবাৰৰ ৰামলীলা আৰু ৰাৱণ দাহন কাৰ্যসূচীক প্ৰায় ২৫ হাজাৰৰ পৰা ৩০ হাজাৰ লোকে অনুষ্ঠানস্থলীত পোনপটীয়াকৈ প্ৰত্যক্ষ কৰাৰ ব্যৱস্থা কৰিব।

# গুৱাহাটী শোধনাগাৰৰ প্ৰবন্ধক বীৰেন্দ্ৰ কুমাৰ ঝাক গ্ৰেপ্তাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- মহানগৰৰ নুনমাটিস্থিত গুৱাহাটী শোধনাগাৰৰ প্ৰবন্ধক বীৰেন্দ্ৰ কুমাৰ ঝাক গ্ৰেপ্তাৰ। শোধনাগাৰত নিবনুৱা যুৱক-যুৱতীক চাকৰি, ঠিকা দিয়াৰ নামত দুৰ্নীতিৰ আশ্ৰয় লোৱাৰ অভিযোগত বিষয়াগৰাকীক গ্ৰেপ্তাৰ কৰে। শোধনাগাৰৰ বিষয়াগৰাকীয়ে এগৰাকী মহিলাৰ নামত ভুৱা ই-মেইল খুলি শোধনাগাৰৰ আভ্যন্তৰীণ বিষয় ৰাজহুৱা কৰিছিল। বীৰেন্দ্ৰ কুমাৰ ঝাঁৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ উত্থাপিত হোৱাৰ পিছত শোধনাগাৰ কৰ্তৃপক্ষই নুনমাটি থানাত দাখিল কৰিছিল এজাহাৰ। এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে এটা গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰিছিল। তাৰ পাছতেই নুনমাটি আৰক্ষীয়ে গুৱাহাটী শোধনাগাৰৰ চৌহদৰ পৰা মহাপ্ৰবন্ধক বীৰেন্দ্ৰ কুমাৰ ঝাক গ্ৰেপ্তাৰ কৰে।

# পাকিস্তানত বানত প্ৰধানমন্ত্ৰী মোদীয়ে জনালে আন্তৰিক সমবেদনা



ৰঙিলী বাৰ্ত্তাসেৱা- পাকিস্তানত বানে সৰ্বনাশ কৰাৰ সময়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশখনত বানত মৃত্যু হোৱা লোকসকলৰ পৰিয়ালৰ প্ৰতি 'আন্তৰিক সমবেদনা' জনায়। টুইটাৰত প্ৰধানমন্ত্ৰীয়ে কয়, 'পাকিস্তানত বানে কৰা বিধ্বংস দেখি শোকাহত। আমি নিহতসকলৰ পৰিয়াল, আহতসকল আৰু এই প্ৰাকৃতিক দুৰ্যোগত আক্ৰান্ত সকলোৰে প্ৰতি আন্তৰিক সমবেদনা জ্ঞাপন কৰিছোঁ আৰু সোনকালেই পৰিস্থিতি স্বাভাৱিক হোৱাৰ আশা কৰিছোঁ।' উল্লেখযোগ্য প্ৰলয়ংকৰী বানত সোমবাৰলৈকে ১, ১৩৬জন লোকৰ মৃত্যু হৈছে আৰু ১, ৬৩৪ জন আহত হৈছে। আনহাতে, ৩ কোটি ৩০ লাখ লোক এইবানত ভগনীয়া হৈছে। এয়া হৈছে দেশখনৰ মুঠ জনসংখ্যাৰ সাত ভাগৰ এক অংশ। আনহাতে, পাকিস্তানৰ তিনিভাগৰ এভাগ অঞ্চল এতিয়া পানীৰ তলত আছে।

# তামিলনাডুৰ পৰা 'জয়মালা'ক ওভোতাই অনাৰ দাবী



ৰঙিলী বাৰ্ত্তাসেৱা- ২০০৮ চনত মাথোন ৬ মাহৰ বাবে 'জয়মালা' নামৰ হাতীটোক অসমৰ পৰা তামিলনাডুলৈ লিজত নিয়া হৈছিল। কিন্তু 'জয়মালা' যোৱা প্ৰায় ১৪ বছৰে নৰক-যন্ত্ৰণা ভুগি আছে তামিলনাডুত । ইখনৰ পাছত সিখন চৰকাৰ সলনি হৈ আছে। অবৈধভাৱে বন্দী কৰি ৰখা 'জয়মালা'ক তামিলনাডুৰ এটা মন্দিৰৰ চৌহদত চাৰিওখন ভৰি শিকলিৰে বান্ধি কেইবাজনো মাউতে অতি নৃশংসভাৱে মাৰপিট কৰি থকাৰ দৃশ্য 'পেটা' নামৰ স্বেচ্ছাসেৱী অনুষ্ঠানে পোহৰলৈ আনিছে। এই মন্তব্য অসমৰ অন্যতম সমন্বয়-সংহতি-ঐক্যৰ অনুষ্ঠান 'বহুভাষিক সাহিত্য মঞ্চ, অসম' চমুকৈ 'বহুবাক'ৰ প্ৰধান সম্পাদক দীপক শৰ্মাৰ। এক প্ৰেছ বিবৃতি যোগে অসম চৰকাৰৰ মুখ্যমন্ত্ৰী, বনমন্ত্ৰী, বন বিভাগৰ উৰ্দ্ধতম কৰ্তৃপক্ষক অনুৰোধ জনাই কয়- অচিৰেই 'জয়মালা'ক অসমলৈ ওভোতাই আনিব লাগে। যিকেইজন মাউতে হাতীটোক নৃশংসভাৱে অত্যাচাৰ কৰি আছে, তেওঁলোকক শাস্তি বিহিব লাগে। 'জয়মালা'ক অতি শীঘ্ৰে অসমলৈ আনিব লাগে বুলি বিভিন্ন দল সংগঠনে দাবী জনাইছে।

# ৰাষ্ট্ৰীয় ক্ৰীড়াত পদক

শৈক্ষিক অৰ্হতা, বয়সৰপ্যঁানতম যোগ্যতা অনুসৰি নিযুক্তি প্ৰদান কৰা হৈছে। সেই অনুসৰিয়েই গুজৰাটত হ'ব লগা ৰাষ্ট্ৰীয় ক্ৰীড়াত পদক বিজয়ীসকলকো চৰকাৰে একোটাকৈ চাকৰি প্ৰদান কৰিব। ক্ৰীড়াৰ আন্তঃগাঁথনি শক্তিশালী কৰাৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে গ্ৰামাঞ্চলত ষ্টেডিয়াম নিৰ্মাণ আধুনিক প্ৰশিক্ষণৰ দৰে ব্যৱস্থাৱলী গ্ৰহণ, আন্তঃগাঁথনি শক্তিশালী কৰি অসমৰ ক্ৰীড়াক্ষেত্ৰক অধিক আগুৱাই নিবলৈ চৰকাৰে এলানি বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। সেই অনুসৰি সৰুসজাইৰ দৰে নাৰেংগী আৰু যোৰহাটত ষ্টেট অব আৰ্ট ষ্টেডিয়াম নিৰ্মাণ কৰাৰ প্ৰস্তুতি চলাইছে চৰকাৰে।

# বলাৎকাৰৰ সৰ্বাধিক গোচৰ থকা ৫ খন ৰাজ্যৰ ভিতৰত অসমৰ নাম

ৰঙিলী বাৰ্ত্তাসেৱা- ২০২০ আৰু ২১ চনত পঞ্জীয়ন হোৱা বলাৎকাৰৰ গোচৰৰ শীৰ্ষ পাঁচখন ৰাজ্যৰ ভিতৰত অসমো আছে। নেশ্যনেল ক্ৰাইম ৰেকৰ্ড ব্যুৰেই (এন চি আৰু বি) প্ৰকাশ কৰা তথ্যৰ পৰা এই কথা জানিব পৰা গৈছে। অসমত ২০২০ চনত ১, ৬৫৭ টা বলাৎকাৰৰ গোচৰ পঞ্জীয়ন হৈছিল। ২০২১ চনত বৃদ্ধি পায় ১,৭৩৩ টালৈ। দেশত সেই দুবছৰত বলাৎকাৰৰ গোচৰৰ সংখ্যা আটাইতকৈ বেছি ৰাজস্থানত। ৰাজস্থানত ২০২০ চন আৰু ২০২১ চনত বলাৎকাৰৰ গোচৰৰ সংখ্যা ক্ৰমে ৫, ৩১০ আৰু ৬,৩৩৭টা। দ্বিতীয় স্থানত আছে মধ্যপ্ৰদেশ। ৰাজ্যখনত ২০২০ চনত ২,৩৩৯টা আৰু ২০২১ চনত বলাৎকাৰৰ গোচৰ ২, ৯৪৭টা। এন চি আৰ বিৰ মতে বলাৎকাৰ গোচৰৰ শীৰ্ষ পাঁচখন ৰাজ্য হৈছে ক্ৰমে ৰাজস্থান, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ, উত্তৰ প্ৰদেশ আৰু অসম। মহাৰাষ্ট্ৰত ২০২০ চনত ২,০৬১ আৰু ২০২১ চনত ২,৪৯৬টা বলাৎকাৰৰ গোচৰ আছিল। আনহাতে উত্তৰ প্ৰদেশত ২০২০ চন আৰু ২০২১ চনত বলাৎকাৰৰ গোচৰৰ সংখ্যা আছিল ক্ৰমে ২,৭৬৯টা আৰু ২,৮৪৫টা।

# 'ৰিহেবিলিটেচন চেণ্টাৰ'ৰ

হাজৰিকাই এনে কেন্দ্ৰসমূহ নিয়ন্ত্ৰণৰ বাবে ৰাজ্য চৰকাৰে কিছু নীতি প্ৰস্তুত কৰিব বুলি ঘোষণা কৰাৰ লগতে শীঘ্ৰে মহানগৰীৰ সকলো 'ৰিহেবিলিটেচন চেণ্টাৰ'ৰ স্বত্বাধিকাৰীৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হ'ব বুলি ঘোষণা কৰিছিল। সেইমৰ্মে জনতা ভৱনৰ মুখ্যমন্ত্ৰীৰ সভাগৃহত পৰ্যালোচনা বৈঠকত অংশ লৈ মন্ত্ৰী হাজৰিকাই স্বত্বাধিকাৰীসকলক তেওঁলোকৰ কেন্দ্ৰসমূহৰ আৱাসীসকলৰ ন্যূনতম সু-সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি কিছু নীতি মানি চলিবলৈ আহ্বান জনায়। এটা স্বাভাৱিক আয়তনৰ কোঠাত সৰ্বাধিক চাৰিজনকৈ আৱাসী ৰখা, প্ৰতি ৫ৰ পৰা ৭ জন আৱাসীৰ বিপৰীতে একোটাকৈ শৌচাগাৰ, পুষ্টিকৰ খাদ্য আৰু নিয়মিত স্বাস্থ্য পৰীক্ষা, এই চাৰিওটা দিশ 'ৰিহেবিলিটেচন চেণ্টাৰসমূহে তাৎক্ষণিকভাৱে গুৰুত্ব দিব লাগিব বুলি উল্লেখ কৰি মন্ত্ৰী হাজৰিকাই এই ক্ষেত্ৰত পৰৱৰ্তী তিনি মাহৰ ভিতৰত সকলো যাৱতীয় কাম সমাপ্ত কৰাৰ নিৰ্দেশ দিয়ে। আনহাতে একোটা ৰিহেবিলিটেচন চেণ্টাৰ' আৰম্ভ কৰিবৰ বাবে সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ লগতে স্বাস্থ্য বিভাগ তথা জিলা প্ৰশাসনৰো অনুমতি লাগিব বুলি পৰ্যালোচনা বৈঠকত আলোচনা কৰা হয়।

# গুৱাহাটী প্ৰেছ ক্লাবত চি আই টি ইউৰ সংবাদমেল




ৰঙিলী বাৰ্ত্তাসেৱা- এক কোটিতকৈ অধিক কৰ্মৰত শ্ৰমিকে প্ৰাপ্য মজুৰি আৰু সামাজিক সুৰক্ষাৰ পৰা বঞ্চিত। অসমত ২৩ লাখ নিবনুৱা যুৱক-যুৱতী উপযুক্ত নিয়োগৰ পৰা বঞ্চিত। বিগত সাত বছৰ ধৰি বৃদ্ধি কৰিব লগাপ্ন্যনতম মজুৰি বৃদ্ধি কৰা নাই। ফলত ৯৮টা অনুসূচিভুক্ত প্ৰায় ১০ লাখ শ্ৰমিকে প্ৰাপ্যৰ পৰা বঞ্চিত হৈ আছে। অতি সম্প্ৰতি ১১ লাখ চাহ বনুৱাৰ বাবে চৰকাৰে মাত্ৰ দৈনিক ২৭ টকা বৃদ্ধি কৰি চৰম প্ৰতাৰণাৰ নিদৰ্শন দাঙি ধৰিলে।-এই মন্তব্য চি আই টি ইউৰ সাধাৰণ সম্পাদক তপন শৰ্মাৰ। চি আই টি ইউৰ উদ্যোগত গুৱাহাটী প্ৰেছ ক্লাবত আয়োজন কৰা সংবাদমেলত সাধাৰণ সম্পাদক তপন শৰ্মাই পুনৰ কয়- ১ ছেপ্তেম্বৰত দিনৰ ৰৰ বজাত গুৱাহাটী ক্লাব ৰ'টাৰীত চৰকাৰী বঞ্চনাৰ অৱসান বিচাৰি বঞ্চিত শ্ৰমিকৰ বিক্ষোভ-সমাৱেশ কাৰ্যসূচী ৰূপায়ন কৰা হ'ব। ব্যক্তিগত মালিকানাধীন কাৰখানাবোৰত প্ৰচলিত শ্ৰম আইন প্ৰয়োগৰ ক্ষেত্ৰত অসম চৰকাৰৰ নিৰ্লিপ্ত ভূমিকাক নঙঠা কৰি দেখুৱালে মইনা নায়ক আৰু ফনিধৰ কলিতাৰ ঘটনাই। একাংশ কাৰখানাত প্ৰকৃততে কাম কৰি থাকে যদি ৫০ জনে কাগজে পত্ৰে থাকে মাত্ৰ ১০ জন। শ্ৰম আইনৰ সামান্য সুবিধাৰ পৰাও বঞ্চিত কৰি ৰখাৰ বাবে নানা প্ৰকাৰৰ কূট কৌশল অৱলম্বন কৰি চৰম শোষণ চলাই আছে এই অসমত। ব্যক্তিগত খণ্ডৰ একোখন নাৰ্চিং হোমত ২০ৰ পৰা ২৫ বছৰ ধৰি কৰ্মৰত চিকিৎসক কৰ্মচাৰীয়ে মাত্ৰ ৮/১০ হেজাৰ মাহিলি মজুৰিৰ বিনিময়ত কাম কৰি থাকিবলৈ বাধ্য হৈ আছে। অসমৰ লাখ লাখ ঠিকা শ্ৰমিকৰ জীৱন গাঁথা অতি দুৰ্বিসহ। সামান্য মজুৰি লৈ ১২ ঘণ্টা কাম কৰোৱাটো এক নিয়মত পৰিণত হৈছে অসমত। ৰাজনৈতিক ছত্ৰছায়াত বৃহৎ ঠিকাদাৰ গোষ্ঠীয়ে নিৰ্মম শোষণ চলাই আছে। চৰমতম চৰকাৰী শোষণৰ বলি হৈ আছে চৰকাৰী আঁচনি ৰূপায়ণত নিয়োজিত অঙ্গনবাড়ী কৰ্মী-সহায়িকা, ৰন্ধন কৰ্মচাৰী আৰু আশা কৰ্মীসকল। তেওঁলোক সম্পূৰ্ণৰূপে মজুৰিৰ পৰা বঞ্চিত। সামান্য মাননিৰ বিনিময়ত কোনো সামাজিক সুৰক্ষা নোপোৱাকৈ অসমত ২ লাখ ৭১ হাজাৰ আঁচনিভূক্ত কৰ্মচাৰীয়ে সেৱা আগবঢ়াই আছে। চৰকাৰে কৰ্মচাৰীসকলক নানা প্ৰকাৰৰ প্ৰচাৰ আৰু প্ৰয়োগ কৌশল অৱলম্বন কৰি নতুন পেন্সন আঁচনিত অন্তৰ্ভুক্ত কৰাই উপযুক্ত পেন্সনৰ অধিকাৰৰ পৰা বঞ্চিত কৰাইছে।সেয়ে কৰ্মচাৰীয়ে আজি ৰাজপথত পুৰণা পেন্সন আঁচনিকে প্ৰৱৰ্তন কৰাৰ দাবীত আন্দোলন চলাই আছে। বে-চৰকাৰী পৰিবহন খণ্ডত নিয়োজিত ট্ৰাক, বাছ, টেম্প', অট', ই-ৰিক্সাকে ধৰি লাখ লাখ গ্ৰাম্য টেক্সি, চিটি টেক্সিৰ চালকসকল একেদৰেই বঞ্চিত আইনসিদ্ধ সামাজিক সুৰক্ষামূলক আঁচনিৰ সুবিধাৰ পৰা। যি সামান্য

( পাঁচ পৃষ্ঠাত চাওক)

# আলফা(স্বাঃ)ৰ শিবিৰত পুনৰ মৃত্যুদণ্ড



ৰঙিলী বাৰ্ত্তাসেৱা- পুনৰ আলফা(স্বাঃ)ৰ শিবিৰত এজনক মৃত্যুদণ্ড। আলফা(স্বাঃ)ৰ শিবিৰৰ পৰা পলায়ন কৰা আলফা সদস্যক মৃত্যুদণ্ড বিহা হ'ল। শিবিৰৰ পৰা পলায়ন কৰা ৰিহণ অসম ওৰফে ছাইফুল ইছলামক মৃত্যুদণ্ড বিহা হৈছে। এই সন্দৰ্ভত আলফা স্বাধীনে সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিজ্ঞপ্তিত কয় যে, "যোৱা ইংৰাজী ২৮/০৭/২০১২ তাৰিখে 'ইষ্টাৰ্ণ কামাণ্ড' মুখ্য কাৰ্য্যালয়স্থিত শিবিৰৰ পৰা কৰ্প'ৰেল ৰিহন অসম ওৰফে ছাইফুল ইছলাম নিশা প্ৰায় ৮:০০ বজাত পলায়ন কৰিছিল। কিন্তু পিছদিনা ৰাতিপুৱা ৫ বজাত আমাৰ ভ্ৰাম্যমান তহলদাৰী গোটে কৰায়ত্ত কৰিবলৈ সক্ষম হয়। পলায়নৰ দৰে চৰম শাস্তিযোগ্য গুৰুতৰ অপৰাধত অপৰাধী সদস্য গৰাকীৰ বিচাৰ প্ৰক্ৰিয়া নিম্ন বিচাৰ সদনতঅনুষ্ঠিত হয়। উক্ত সদনত অপৰাধীয়ে অপৰাধ নিজ মুখে স্বীকাৰ কৰি পুনৰ আত্ম-সংশোধনৰ জৰিয়তে সংগঠনত সেৱা আগবঢ়াই যোৱাৰ সদিচ্ছাৰে অন্তিম সুযোগ প্ৰদানৰ বাবে কাতৰ অনুৰোধ জনায়। তাৰোপৰি ভৱিষ্যতে এনে কাপুৰুষোচিত, ঘৃণনীয় আৰু জাতিদ্ৰোহী কাৰ্য্যৰ পুনৰাবৃত্তি নকৰাৰ লিখিত তথা দৃশ্য-শ্ৰাব্য প্ৰতিশ্ৰুতি দিয়ে। যাৰ পৰিপ্ৰেক্ষিতত নিম্ন বিচাৰ সদনে সকলো দিশ পুংখানুপুংখ পৰ্য্যালোচনাৰ শেষত অপৰাধী সদস্যগৰাকীয়ে বিচৰা অনুৰোধসূচক অন্তিম সুযোগক ইতিবাচকভাৱে মান্যতা দি মৃত্যুদণ্ডৰ পৰিবৰ্তে শাৰীৰিক। মদানেৰে লঘু শাস্তিৰ ৰায় প্ৰদান কৰে। কিন্তু অতি পৰিতাপৰ কথা এই যে, যোৱা ২১ আগষ্টত ইষ্টাৰ্ণ কামাণ্ড' মুখ্য কাৰ্য্যালয়ৰ পৰা আন এঘাৰ গৰাকী বিষয়া সদস্যৰ সৈতে 'চলমান সাধাৰণ মুখ্য কাৰ্য্যালয়লৈ বুলি যাত্ৰা পথত ২৩ আগষ্টত পুৱতি নিশা আশ্ৰয়স্থলীত আন বিষয়া-সদস্য সকল নিদ্ৰাৰত অৱস্থাত দ্বিতীয়বাৰ পলায়ন কৰে; যদিও

( পাঁচ পৃষ্ঠাত চাওক)

# জনতা ভৱনত দিব্যাংগসকলৰ সংগঠনৰ নেতৃত্বৰে মন্ত্ৰী পীয়ুষ হাজৰিকাৰ বৈঠক



ৰঙিলী বাৰ্ত্তাসেৱা- অসম চৰকাৰৰ সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই জনতা ভৱনৰ নিজ কাৰ্যালয়ৰ সভাকক্ষত অসমৰ দিব্যাংগ লোকসকলক প্ৰতিনিধিত্ব কৰা সংগঠনসমূহৰ নেতৃবৃন্দৰে এক বিশেষ আলোচনাত মিলিত হয়। সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ আয়ুক্ত, সঞ্চালকক ধৰি শীৰ্ষ বিষয়াসকলৰ উপস্থিতিত মন্ত্ৰী হাজৰিকাই সংগঠনৰ নেতৃত্বৰ পৰা ৰাজ্যখনৰ দিব্যাংগ ব্যক্তিসকলে সন্মুখীন হৈ থকা বিভিন্ন সমস্যাৰ বিষয়ে বুজ লয়। ৰাজ্য চৰকাৰৰ চাকৰিত দিব্যাংগসকলৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰিবলৈ সংগঠনৰ ফালৰ পৰা মন্ত্ৰীগৰাকীক আহ্বান জনোৱাত তেঁও সকলো বিভাগতে দিব্যাংগসকলে সাংবিধানিক সংৰক্ষণৰ সুবিধা নিশ্চিতৰূপত লাভ কৰিব বুলি উল্লেখ কৰে। আনহাতে চৰকাৰী চাকৰিৰ আবেদনৰ মাছুল ৰেহাই দিয়া আৰু পৰীক্ষাত দৃষ্টিহীন সকলৰ সুবিধাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰাৰ বাবেও মন্ত্ৰীগৰাকীয়ে এই আলোচনাতে বিভাগীয় বিষয়াৰে কথা হয় আৰু প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি উল্লেখ কৰে। প্ৰতিনিধি সকলে গুৱাহাটীত দিব্যাংগ লোক সকলৰ বাবে জিৰণী ঘৰ আৰু লুইছ ব্ৰেইলীৰ প্ৰতিমূৰ্তি স্থাপনৰ বাবে মন্ত্ৰীগৰাকীক অনুৰোধ জনায়। লুইছ ব্ৰেইলীৰ প্ৰতিমূৰ্তি স্থাপনত মন্ত্ৰী হাজৰিকাই সহযোগিতা আগবঢ়াব বুলি উল্লেখ কৰি দিব্যাংগসকলৰ বাবে জিৰণি ঘৰৰ বিষয়টো পৰৱৰ্তী সময়ত বিবেচনা কৰা হ'ব বুলি প্ৰকাশ কৰে। আনহাতে ৰাজ্যখনত বহুকেইটা সংগঠনে সক্ৰিয়ভাৱে দিব্যাংগসকলৰ বাবে কাম কৰি থকাটো উল্লেখ কৰি মন্ত্ৰী হাজৰিকাই সকলো সংগঠনকে সমিল মিলেৰে দিব্যাংগসকলৰ কল্যাণৰ বাবে কাম কৰিবলৈ আহ্বান জনায়। সংগঠনৰ নামত কোনেও যাতে দিব্যাংগসকলক

( পাঁচ পৃষ্ঠাত চাওক)

# চফিউৰ ৰহমান শইকীয়াৰ অনুবাদ গ্ৰন্থ উন্মচন



ৰঙিলী বাৰ্ত্তাসেৱা- বিশিষ্ট সাহিত্যিক চফিউৰ ৰহমান শইকীয়াৰ অনুবাদ গ্ৰন্থ খলিল জিব্ৰানৰ কবিতা আৰু খলিল জিব্ৰানৰ গল্প আৰু উপন্যাসিকা মহানগৰীৰ চানমাৰিস্থিত চৰকাৰী পেন্সনাৰ সন্থাৰ প্ৰেক্ষাগৃহত উন্মোচন কৰা হয়। বিশিষ্ট লেখক ডাঃ অঞ্জনজ্যোতি চৌধুৰীৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত খলিল জিব্ৰানৰ কবিতা গ্ৰন্থখনিৰ উন্মোচক প্ৰথিতযশা কবি ৰবীন্দ্ৰ বৰ কয় যে জিব্ৰান এগৰাকী সংবেদনশীল লেবানীজ-আমেৰিকান কবি যিজনৰ সাহিত্য কৃতি পৃথিৱীৰ দিশে দিশে বিকশিত হৈছে। খলিল জিব্ৰানৰ গল্প আৰু উপন্যাসিকাৰ উন্মোচক বিশিষ্ট সাহিত্যিক তবিউল হুছেইনে কয় যে খলিলৰ প্ৰত্যেকটো গল্পত আছে সমাজলৈ একোটা বিশেষ বাণী। গ্ৰন্থকাৰ চফিউৰ ৰহমান শইকীয়াই উদ্দেশ্য ব্যাখ্যা কৰে। নিকুমণি হুছেইনে আঁত ধৰা সভাত সমজুৱাৰ ফালৰ পৰা ববিনা ৰহমান শইকীয়া, অখিল গোস্বামী, ডঃ ৰোমান শৰ্মা, ডঃ অসমী গগৈ, শুভব্ৰত শৰ্মা, কিশোৰী মোহন পাঠক, গীতাঞ্জলি বৰা বৰদলৈয়ে ভাষণ দিয়ে। সৰস্বতী বন্দনা আৰু বৰগীত পৰিৱেশন কৰে মঞ্জু গৌতম আৰু গীতিকা দেৱী কলিতাই। সভাত বিশিষ্ট লেখক ডাঃ অঞ্জনজ্যেতি চৌধুৰীয়ে ভাষণ ৰখাৰ উপৰিও দুটি গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে। শলাগৰ শৰাই আগবঢ়াই গজেন্দ্ৰ নাথ খাউন্দে।

# গুৱাহাটী প্ৰেছ ক্লাবত

সামাজিক সুৰক্ষা অসমৰ চি আই টি ইউকে ধৰি কেন্দ্ৰীয় ট্ৰেড ইউনিয়নবোৰৰ ধাৰাবাহিক আন্দোলনৰ হেঁচাত ২০ লক্ষাধিক নিৰ্মাণ শ্ৰমিকৰ বাবে আদায় হৈছিল। তাৰ পৰাও বঞ্চিত কৰাৰ ষড়যন্ত্ৰত লিপ্ত হৈছে বি জে পি নেতৃত্বাধীন চৰকাৰ। অন্যান্য শ্ৰম আইনৰ লগতে গৃহ আৰু অন্যান্য নিৰ্মাণ শ্ৰমিক কল্যাণ আইনখনো সংশোধন কৰি প্ৰকৃত নিৰ্মাণ। মিকসকলক আইনসিদ্ধ সুবিধাৰ পৰা বঞ্চিত কৰিব ওলাইছে। কেন্দ্ৰৰ বিজেপি চৰকাৰখনে ইতিমধ্যে ২১ খন আইন কাটি-কুটি মাত্ৰ চাৰিখন শ্ৰম সাহিত্য বনাইছে যাৰ দ্বাৰা স্বাধীনতা ৭৫ বছৰত সংগ্ৰাম কৰি আদায় কৰা শ্ৰমিক কল্যাণ আইনৰ সামান্য সুবিধাৰ পৰাও শ্ৰমিকসকলক বঞ্চিত কৰিব বিচাৰিছে। শেহতীয়াকৈ ৰাজ্যৰ বি জে পি চৰকাৰখনে। মজীৱী লোকৰ সন্তানক শিক্ষা গ্ৰহণৰ পৰাও বঞ্চিত কৰিব ওলাইছে। মুখ্যমন্ত্ৰীয়ে আগভাগ লৈ চৰকাৰী বিদ্যালয় বন্ধ কৰি আছে আৰু ব্যক্তিগত খণ্ডৰ বিদ্যালয় খুলি আছে। পৰিণতিত খৰচ বহন কৰিব নোৱাৰি শ্ৰমিকৰ ঘৰৰ সন্তানে পঢ়া বাদ দিব লাগিব। সংবাদমেলত চি আই টি ইউৰ সম্পাদক বীৰেন শৰ্মা, ইন্দিৰা নেৱাৰ, ভোলা শৰ্মা, বিজন দাস উপস্থিত থাকে।

# জনতা ভৱনত দিব্যাংগসকলৰ

হাৰাশাস্তি নকৰে তাৰ বাবেও মন্ত্ৰী হাজৰিকাই সকলোকে আহ্বান জনায়। আনহাতে একাংশ সংগঠনে দিব্যাংগসকলৰ বিভিন্ন দাবীৰ বাবে সততে আন্দোলনমুখী পৰিৱেশ সৃষ্টি কৰা বিষয়টো উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে আন্দোলন কৰাৰ বাবে আমাৰ সকলোৰে সম্পূৰ্ণ অধিকাৰ আছে, কিন্তু দিব্যাংগসকলৰ দল সংগঠনে যিকোনো সময়তে বিভাগীয় শীৰ্ষ বিষয়া আৰু মন্ত্ৰীক লগ কৰিব পাৰে আৰু আন্দোলনৰ কাৰ্যসূচী লোৱাৰ আগতেই আলোচনাৰ জড়িয়তে সমস্যাসমূহ সমাধান কৰিব পাৰে ।

# আলফা(স্বাঃ)ৰ শিবিৰত পুনৰ মৃত্যুদণ্ড

সেই দিনাই আবেলি কৰায়ত্ত কৰিবলৈ সক্ষম হয় আৰু 'ইষ্টান কামাণ্ড' মুখ্য কাৰ্য্যালয়লৈ উভতনি যাত্ৰাৰত মূহুৰ্তত আচম্বিতে পাহাৰীয়া ৰাস্তা এটাৰ কাষৰ থিয় গৰাত জপিয়াই তৃতীয়বাৰৰ বাবে পলায়ন কৰে। পৰৱৰ্তী সময়ত অৰ্থাৎ ২৫ আগষ্টৰ আবেলি পুনৰ কৰায়ত্ত কৰিবলৈ সক্ষম হয়। সেয়েহে, ইংৰাজী ৩০/০৮/২০২২ তাৰিখে পুনৰবাৰ নিম্ন বিচাৰ সদনৰ মুখ্য অধ্যক্ষৰ অধ্যক্ষতাত অনুষ্ঠিত হোৱা আন এখন বিচাৰ সদনৰ সন্মুখত অপৰাধী বিহন অসমে নিজৰ একাধিক দোষ স্বীকাৰ কৰাৰ উপৰিও একাংশ আৰক্ষী বিষয়াৰ লগত সংগোপনে জড়িত হৈ মুক্তাঞ্চললৈ অহাৰ কথা অকপটে স্বীকাৰ কৰে। অপৰাধীৰ স্বীকাৰোক্তি শুনাৰ পাছত সংগঠনৰ সংবিধানৰ বিচাৰ উপৰিধি অনুসৰি মৃত্যুদণ্ডৰ ৰায় ঘোষণা কৰা হ'ল। অভিযানকালীন সময়ছোৱাত পলায়ন তথা শত্ৰুৰ হৈ চোৰাংচোৱাগিৰি কৰা সদস্যৰ ওপৰত আৰোপিত মৃত্যুদণ্ডৰ ৰায় নিম্ন সদনে বাহাল ৰাখে। সদস্যজনৰ দোষসমূহ ক্ষমাৰ অযোগ্য হোৱা হেতুকে নিম্ন বিচাৰ সদনৰ ৰায় অনুসৰি আজি এনে অবাঞ্ছিত মৃত্যুদণ্ড বিহা হ'ল।



# বৃথা সপোন

হিমাদ্ৰী বৰকটকী, নগাঁও



বিবাহ এক বান্ধোন। আমি সকলোৱে জানোঁ। এই বিবাহ শব্দটো মাত্ৰ তিনিটা শব্দৰে গঠিত। ইয়াতে লুকাই আছে তিতা মিঠা সকলো অভিজ্ঞতা। আজি কালি হৈ থকা সমাজত চিৰাচৰিত ঘটনা এটা আপোনালোকৰ আগত জনাবলৈ লৈছোঁ । পৰী এজনী বৰ মৰম লগা ছোৱালী। তাই পঢ়া শুনাত চোকা ছোৱালী। তাই MA কৰি জুনিয়ৰ কলেজ এখনতে চাকৰি কৰি আছে। তাইক কলেজত সকলোৱে ভাল পায়। কাৰন তাই স্বভাৱ চৰিত্ৰৰ ফালৰ পৰাও খুব ভাল ছোৱালী। লাহে লাহে তাইৰ বিয়াৰ সময় আহি পৰিছে । পৰিয়াল তথা মাক দেউতাকে ঘৰত ল'ৰা চোৱাৰ যো- যা কৰিছে। তাইৰ ও টো এটা মন আছে।গতিকে মাক দেউতাকে তাইক শুধিলে ল'ৰা ঠিক কৰি ঠৈছা নেকি ? তাই কলে মই ল'ৰা ঠিক কৰি থোৱা নাই। তোমালোকে মোৰ বেয়া চিন্তা নকৰা। গতিকে তোমালোকৰ পছন্দই মোৰ পছন্দ। কেমাহ মানৰ পিছত পৰীক ল'ৰা এজনে চাবলৈ আহিল। ল'ৰা গুৱাহাটীৰ। কোম্পানীত চাকৰি কৰে। পৰিয়ালটোত মাক, দেউতাক, দাদাক আৰু বৌয়েক। ল'ৰা ছোৱালীয়ে কথা বতৰা পাতি ইটোৱে সিটোক পছন্দ কৰিলে। পৰীৰ মাক দেউতাক ও গ'ল ল'ৰাৰ ঘৰলৈ। কথা বতৰা পাতি বিয়াৰ দিন বাৰ তাৰিখ ঠিক কৰিলে। এইখিনিতে এটা কথা কওঁ, প্ৰত্যেক ছোৱালীয়ে বিয়াৰ আগতে সপোন দেখে। পৰীয়েও সপোন দেখিছিল। মোৰ নতুন এখন ঘৰ হ'ব। মোৰ মানুহজনে মোক খুব মৰম কৰিব। ফুৰিবলৈ যাম বাহিৰলৈ (অসমৰ বাহিৰত)। আৰু যে ক'ত কি সপোন....তাৰিখ মতে একেদিনাই জোৰোণ আৰু বিয়া। জোৰোণত ও মানুহ যঠেষ্ট হৈছে। অভ্যৰ্থনা বৰ সুন্দৰকৈ হৈছে। ৰাতিলৈ বিয়াত ও দৰাৰ লগত মানুহ আহিছে যঠেষ্ট। মুঠতে বৰ সুন্দৰকৈ পৰীৰ বিয়াখন হৈ গ'ল। বিয়াৰ পিছত প্ৰথম অৱস্থাত চব ঠিকেই আছিল। তাই বোৱাৰীৰ দায়িত্ব ভালদৰে পালন কৰিছিল। শহুৰ শাহুয়েকৰ কথা মতে চলিছিল। ফুৰা চকাও কৰিছিল দুইটাই। লাহে লাহে তাইৰ ওপৰত মানসিক অত্যাচাৰ চলিবলৈ আৰম্ভ কৰিলে। তাইক শহুৰ শাহুয়েকে তাইৰ মাকৰ ঘৰৰ কথা কৈ ঠাট্টা কৰিবলৈ ধৰিলে। তেওঁলোকে নিজকে ধনী মানুহ বুলি খুব জহাই থাকে। পৰীক গাওঁলীয়া বুলি ঠাট্টা কৰে। আনকি তাইৰ গিৰিয়েকো মাক দেউতাকৰ ফলীয়া। তাইৰ হৈ সি একো মাত নামাতে। তাতোতকৈ ডাঙৰ কথা এদিন তাইৰ ওপৰত সি হাত উঠালে। তাইৰ সেইদিনা বৰ দুখ লাগিল ।আৰু দিনটো ভাত পানী নাখায় কান্দি কান্দি শুই থাকিলে। তাই আৰু কিমান সহিব সিহঁতৰ অত্যাচাৰ। তাই এইবোৰ কথা মাক দেউতাকক ক'লে। প্ৰথমতে তাই কোৱা নাছিল এইবোৰ কথা। ভাবিছিল পিছলৈ ঠিক হৈ যাব। কিন্তু নাই একো পৰিবৰ্তন নহ'ল। তাই ভাবিলে মই নোৱাৰিম আৰু ইয়াত থাকিব। শেষত মাক দেউতাকে তাইক ঘৰৰ ছোৱালী ঘৰলৈ লৈ আহিবলৈ বাধ্য হ'ল। তাৰপিছত divorce প্ৰক্ৰিয়া আৰম্ভ হ'ল। এবছৰ পিছত দুয়োৰে মাজত divorce হ'ল। তাইৰ সপোন বোৰ সপোন হৈয়েই ৰ'ল। তাই আকৌ নতুনকৈ জুনিয়ৰ কলেজ খনত চাকৰি আৰম্ভ কৰিলে। তাইৰ এতিয়া নতুন ঠিকনা হ'ল জন্মস্থান খন। সকলোৱে তাইক এতিয়া দোষে। কিন্তু তাইৰ দোষ ক'ত ? তাই মৰি মৰি জীয়াই থকা হ'লে সমাজখনে ভালপালে হেঁতেন ? তাই শিক্ষা দিক্ষা থকা ছোৱালী। তাই নিজৰ ভৰিৰ ওপৰত থিয় দিব পাৰিব। তেনেস্থলত তাই নাৰী হ'ল বুলিয়েই কি সকলো সহ্য কৰি যাব ? ল'ৰাটোৰ কোনো দোষ নাই? সি ধোৱা তুলসীৰ পাত নেকি? বহু ক্ষেত্ৰত দেখা যায় আমাৰ সমাজত ছোৱালীজনীৰহে গাত দোষ দেখে। ল'ৰাটোৰ গাত দোষ নেদেখে। এইবোৰ মানসিকতাৰ কাৰনে এখন এখন সংসাৰ ধ্বংস হৈ যাবলৈ ধৰিছে। এখন সংসাৰ ভালদৰে চলিবলৈ হ'লে দুয়োৰে মাজত বুজাবুজি থকাৰ খুবেই প্ৰয়োজন। ইটোৱে সিটোক বিপদত সহায় সহযোগ কৰিব লাগিব। দুয়োৰে দুয়োৰ সুখ দুখৰ সমভাগী হ'ব লাগিব। তেতিয়াহে এখন সুখৰ সংসাৰ গঢ় লৈ উঠিব। সংসাৰ এখন গঢ় দিবলৈ বৰ টান কিন্তু ভাঙিবলৈ এক মুহূৰ্তও নালাগে। পৰী মাত্ৰ এটা উদাহৰণহে ।

**(এই লিখনিটোৰ লগত কোনো জড়িত নহয়। সমাজত নাৰীৰ প্ৰতি থকা মনোভাৱহে প্ৰকাশ মাথোন)**

# মাদ্ৰাছাত আকৌ চলিল বুলডজাৰ

ইকবাল হুছেইন



মৈৰাবাৰীৰ পিছত এইবাৰ যোগীঘোপা, কাপাইটাৰী মাদ্ৰাছাতো চলিল প্ৰশাসনৰ বুলডজাৰ। কিয় চলোৱা হৈছে বুলডজাৰ সেয়া বোধগম্য নহয় যদিওঁ মাদ্ৰাছাৰ শিক্ষক এজনে জেহাদীৰ লগত সম্পৰ্ক ৰক্ষা কৰি চলাৰ বাবেই হেনো ধৰ্মীয় প্ৰতিষ্ঠান অৰ্থাৎ মাদ্ৰাছাত বুলডজাৰ লগাই ভাঙি দিয়া হৈছে, যিটো কেতিয়াওঁ সমৰ্থনযোগ্য নহয়। মাদ্ৰাছাৰ পৰা দৰমহা লৈ শিক্ষকতা কৰা শিক্ষক এজনে যদি কোনো অনৈতিক কাম বা জেহাদীৰ লগত কু-সম্পৰ্ক ৰক্ষা কৰি চলি আহিছে তেন্তে মাদ্ৰাছা নহয় বলকে সেই শিক্ষক গৰাকীহে দোষী। তেনে শিক্ষকক আইনৰ আওতালৈ আনি ফাষ্ট ট্ৰেক আদালতৰ জৰিয়তে দৃষ্টান্তমূলক শাস্তি বিহিব লাগে। কাৰণ সাম্প্ৰদায়িক সম্প্ৰীতিৰ শান্তিপূৰ্ণ ৰাজ্য অসমত জেহাদীৰ কোনো স্থান থাকিব নোৱাৰে। ইতিমধ্যেই আলফা, এনডিএফবিৰ দৰে সন্ত্ৰাসবাদী সংগঠনৰ বাবে আমাৰ সুজলা সুফলা শস্য শ্যামলা সমন্বয়ৰ ৰাজ্যখন বহু পিছুৱাই গ'ল তাৰ মাজতে আকৌ জেহাদীৰ উৎপাত, মইমতালি আৰু সন্ত্ৰাসী কাৰ্যকলাপ সহ্য কৰা মুঠেই উচিত নহয়। সেয়ে আৰাম্ভনিৰ পৰাই জেহাদীক সমূলঞ্চে পুলিয়ে উঘালি পেলাব লাগিব। মুছলিম বিশ্বত আমি জেহাদীৰ বৰ্বৰতা দেখিছোঁ, কিদৰে সিহঁতে মানুহক তাৰণা, যাতনা দিয়ে। মানৱতাক বুঢ়া আঙুলি দেখুৱাই জেহাদী নামৰ কুখ্যাত সন্ত্ৰাসবাদীবোৰে মানুহক কেনেকৈ নিৰ্মমভাৱে হত্যা কৰে। ইছলামৰ দোহাই দি তথাকথিত জেহাদী নামৰ কচাইবোৰে কেৱল নিজৰ স্বাৰ্থ সিদ্ধি আৰু ৰাষ্ট্ৰ ক্ষমতা হস্তগত কৰিবলৈ জেহাদৰ দৰে পৱিত্ৰ শব্দৰ অপব্যাখ্যা আৰু অপপ্ৰয়োগ কৰি সিহঁতে শান্তি, মৈত্ৰী তথা ত্যাগেৰে মহিমামণ্ডিত ইছলাম শব্দটোকেই অৰ্থহীন কৰি পেলাইছে। আজি জেহাদী খ্যাত চয়তান বোৰৰ কাৰণে গোটেই বিশ্বতে ইছলাম, ক্বোৰআন আৰু মহাপুৰুষ হজৰত মহম্মদ (ছঃ) সন্দে, অবিশ্বাসৰ পাত্ৰ হৈ পৰিছে। জেহাদী নামৰ জাহান্নামৰ কীট-পতংগ বোৰক সময় থাকোতেই দমন কৰিব নোৱাৰিলে তেওঁলোকৰ অতপালি আৰু ধপধপনিয়ে বিশ্বৰ লগতে আমাৰ দেশৰো একতা, শান্তি আৰু প্ৰগতিত ব্যাঘাত জন্মিব। উল্লেখ্য যে, অসমৰ যিসকল ডিজিটেল মাৰ্কা মোল্লা সকলে জেহাদীৰ লগত হলিগলি কৰি ধন ঘটাৰ আহিলা কৰি লৈছে তেনে মোল্লা-মৌলবী, হাফিজ-ক্বাৰী সকলক মুছলমান সমাজে চিনাক্ত কৰি তেওঁলোকক সমজুৱাভাৱে বয়কট কৰাৰ সময় আহি পৰিছে। যাতে এই ধৰণৰ আলিম! উলামাই যুৱপ্ৰজন্মৰ লগতে সমাজক বিপথে পৰিচালিত কৰি জেহাদৰ প্ৰতি আকৃষ্ট কৰিব নোৱাৰে। আজিৰ অধিকাংশ মোল্লাই হৈছে ডিজিটেল মাৰ্কা। যেনে-তেনে ধৰ্মৰ Certificate এখন পালেই হ'ল, জধে মধে 'মাদ্ৰাছা বনোৱাত লাগি যায়'। নীতি বহিৰ্ভূতভাৱে মাদ্ৰাছাৰ প্ৰতিষ্ঠা কৰিয়েই চান্দাবাজীত নামি পৰে। আনকি মাদ্ৰাছাৰ কন-কন ছাত্ৰসকলক লগত লৈ অট ৰিক্সাত মাইক এখন লগাই গাৱে-ভূঞে, চহৰে নগৰে ধৰ্মৰ বাণী গাই গাই চান্দা সংগ্ৰহত ব্যস্ত হৈ পৰে। তাৰোপৰি মবাইল ফোনেৰে দেশ-বিদেশৰ ফেচবুকাৰৰ সৈতে বন্ধুত্ব কৰিও নিজে প্ৰতিষ্ঠা কৰা মাদ্ৰাছাৰ নামত চান্দা সংগ্ৰহৰ লিপ্সাও পুহি ৰখা দেখা যায়, মৈৰাবাৰীৰ কাণ্ড তাৰ জলন্ত প্ৰমাণ। যতে ততে অনুমতিবিহীন ভাৱে গঢ়ি তোলা মাদ্ৰাছাৰ কমিটি বুলি কলে প্ৰতিষ্ঠাতা শিক্ষকজন নিজেই, এয়াই হৈছে ডিজিটেল মাৰ্কা মোল্লা সকলৰ ধান্দা। আগতে দেখা গৈছিল; মাদ্ৰাছাৰ শিক্ষক সকলে ছাত্ৰসকলক ধৰ্মীয় তথা আধ্যাত্মিকতাৰ শিক্ষা দিয়াৰ লগতে তেওঁলোকক মানৱ সম্পদৰূপে গঢ়ি তুলিবলৈ চেষ্টা কৰিছিল। নৈতিকতা, মূল্যবোধ আৰু দেশমাতৃৰ প্ৰতি প্ৰেম-ভালপোৱাৰ শিক্ষাৰে শিক্ষিত কৰি দেশৰ একো একোজন সু-নাগৰিক হিচাপে গঢ়ি তুলিছিল। সেইবাবেই ভাৰতৰ স্বাধীনতা আন্দোলনত আলিম/ উলামা জপিয়াই পৰি পৰাধীনতাৰ গ্লানিৰ পৰা দেশখনক আজাদ কৰিছিল। আচলতে হক্বানী আলিম/উলামা সকলে যি কামকেই কৰিছিল সেয়া নিষ্ঠা, সততা, একাগ্ৰতা, আন্তৰিকতা আৰু ভক্তিৰ ভাৱলৈ কৰিছিল। আমলৰ প্ৰতি আছিল তেওঁলোক সদা সচেষ্ট। ছুন্নাত, নফল, মুস্তাহাব আদিৰ সহিতে পাচ ৰাক্ত নামাজৰ প্ৰতি যত্নবান থকাৰ লগতে মিছা কথা, চোগলখোৰী, পৰনিন্দা, পৰচৰ্চাৰ পৰা নিলগত থাকি হক-হালালৰ প্ৰতিও গুৰুত্ব দিছিল। সেইবাবেই আলিম/ উলামা সমাজত সংবৰ্ধনাৰ পাত্ৰ আছিল। তেওঁলোকে নিশাৰ গভীৰ অন্ধকাৰত ৰোদন-ক্ৰন্দন কৰি আল্লাহ ওচৰত যি বিচাৰিছিল তাকেই লাভ কৰিছিল। কিন্তু আজিৰ একবিংশ শতিকাৰ একাংশ আলিম/উলামা হৈ পৰিছে ডিজিটেল মাৰ্কা। কেৱল টকা আৰু টকা লাগে, লাগিলে যিকোনো উপায় অৱলম্বন কৰি হলেওঁ কেৱল টকা লাগে। ইছলামৰ প্ৰচাৰ-প্ৰসাৰ তথা উত্তৰণৰ বিষয়টো যেন তেওঁলোকৰ কাম্যই নহয়। লাগিলে ইছলাম আৰু পয়গম্বৰ হজৰত মহম্মদ (ছঃ)ৰ কালজয়ী আদৰ্শ ৰসাতলে গলেও যাওঁক। নহলেনো এওঁলোকৰ একাংশৰ বাবে আজি শান্তিৰ ধৰ্ম ইছলাম বাৰে বাৰে অপৰাধৰ কাঠ গঢ়াত কিয় হবলগীয়া হয়নে? অৱশ্যে তাৰ মাজতো আধ্যাত্মিকতাৰ সাগৰত ডুবি থকা অসংখ্যক ভাল, অপেক্ষাৰহিত, সংকীৰ্ণতাশূন্য তথা খোদাভীৰু আলিম/ উলামা এতিয়াওঁ ধৰাৰ বুকুত বিদ্যমান। ইছলাম ধৰ্মীয় বিশ্বাস মতে যেতিয়ালৈকে এজনো প্ৰকৃত আলিম/ উলামা ধৰাৰ বুকুত টিকি থাকিব তেতিয়ালৈকে বিশ্ব ভূমণ্ডল অক্ষত অৱস্থাত থাকিব আৰু

*(আঠপৃষ্ঠাত চাওক)*

JANASANYOG- 2040/22

অসম চৰকাৰ

Azadi Ka Amrit Mahotsav



এতিয়াৰ পৰা আপোনাৰ সম্পত্তি কৰ আপোনাৰ ঘৰৰ পৰাই যিকোনো সময়ত যিকোনো স্থানৰ পৰা সহজতে পৰিশোধ কৰক।

অসম চৰকাৰৰ গৃহনিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ

## 'সহজলভ্য সম্পত্তি কৰ পৰিশোধ'ৰ অধীনত এক পদক্ষেপ

http://propertytaxassam.in প'ৰ্টেলত প্ৰৱেশ কৰক অথবা প্লেষ্টোৰৰ পৰা মোবাইল এপ ডাউনলোড কৰক → আপোনাৰ বুনিয়াদি তথ্যৰ সৈতে এটা একাউণ্ট পঞ্জীয়ন কৰক → সম্পত্তি কৰৰ মূল্যায়ন বাছনি কৰক → আপোনাৰ তথ্য আপডেট কৰক আৰু ইউনিক আই ডি নম্বৰ লাভ কৰক

### সম্পত্তিৰ মূল্যাংকন আৰু পুনঃ মূল্যাংকন কি?

ই এক প্ৰক্ৰিয়া, যাৰ দ্বাৰা মোবাইল এপ অথবা ৱেব পোৰ্টেলৰ জৰিয়তে আপুনি ব্যৱহাৰ কৰি থকা মহলাৰ সম্পূৰ্ণ ক্ষেত্ৰৰ সৈতে আপোনাৰ সম্পত্তিৰ তথ্য আপডেট কৰিব পাৰি।

### কোনে এই প্ৰক্ৰিয়া কৰিব লাগে?

জি এম চিৰ বাহিৰে অসমৰ যিকোনো জিলাৰ পৌৰসভা এলেকাৰ সম্পত্তি থকা যিকোনো ব্যক্তি।

### কেনেকৈ পূৰণি কৰ পৰিশোধ কৰিব

- অনলাইন পৰিশোধ প্ৰক্ৰিয়াৰ জৰিয়তে আপোনাৰ বাকেয়া কৰ পৰিশোধ কৰিব পাৰিব।
- আপোনাৰ পুৰণি সম্পত্তি আৰু পৰিশোধৰ বাবে মাত্ৰ তিনিটা প্ৰক্ৰিয়া
  - এপ ডাউনল'ড কৰক অথবা পৰ্টেলত প্ৰৱেশ কৰক
  - সম্পত্তি কৰ পৰিশোধ নিৰ্বাচন কৰক
  - আপোনাৰ পুৰণি হ'ল্ডিং নম্বৰ দিয়ক
  - বাকী থকা ধন পৰিশোধ কৰক

### উপকাৰিতা

- পাঁচ মিনিটতে আপোনাৰ হ'ল্ডিং নম্বৰ লাভ কৰক।
- ঘৰৰ পৰাই আপোনাৰ সম্পত্তিৰ তথ্য আপডেট কৰক।
- অন লাইনযোগে যিকোনো স্থানৰ পৰা যিকোনো সময়তে কৰ আদায় দিয়ক।




এপ ডাউনলোডৰ বাবে propertytaxassam.in ৱেবছাইটত প্ৰৱেশ কৰক

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

# জীৱন

ঋত্বিজ



এইয়াইটো জীৱন, যত কেতিয়াবা দুখ,
আকৌ কেতিয়াবা সুখ ।
যত কেতিয়াবা হাঁহি,
যত কেতিয়াবা কান্দোন ।
বহু আহিব ঘাট-প্ৰতিঘাত,
বহু আহিব আনন্দ,
সেইয়াইটো জীৱন ।
নিজক হেৰুৱাই নেপেলাই,
আগুৱাই যোৱাটোৱেই জীৱন।
বহু পথ পাবা তোমাৰ এই জীৱনত,
যদি এই পথ কেতিয়াবা তোমাৰ বাবে হব মসৃণ,
আকৌ কেতিয়াবা হব কাঁইটীয়া ।
তথাপিও তুমি আগুৱাব লাগিব,
নিজক নেহেৰুৱাকৈ, আনৰ বাবে আদৰ্শ হোৱাকৈ।
এইয়াইটো জীৱন।

# দেউতালৈ শ্ৰদ্ধাঞ্জলি

ময়ুৰাক্ষী গগৈ



সদায়ে জয়ী হৈ থকা দেউতা,
নিয়তিৰ ওচৰত হাৰ মানি সকলোকে কন্দুৱাই,
আপুনি চিৰবিদায় ল'লে।
আপোনাৰ প্ৰস্থানৰ খবৰ পাই
শুভাকাংক্ষী সকল দৌৰি আহিছে,
আমাক সমবেদনা জনাবলৈ।
আপুনি দেখা হ'লে কিমান যে
সুখী হ'লহেঁতেন!
দেউতা,
মনত পৰে আমাক যে সৰুতে
হাতত ধৰি গোলাঘাটৰ বজাৰখন ঘূৰাই
হোটেলত মিঠাই খুওৱাৰ দৃশ্যবোৰ
যোৰহাটৰ প্ৰতিখন পূজামণ্ডপৰ
গোসাঁনী দৰ্শন কৰোৱাৰ দৃশ্যবোৰ!
মনত পৰে দেওবৰীয়া হাটৰ পৰা অনা
প্ৰত্যেকৰে প্ৰিয় বস্তুৰে ভৰা মোনাখনলৈ।
খাই ভাল পোৱা আৰু পৰিপিটিকৈ থকা দেউতা,
আপোনাৰ লোভ-মোহ কেতিয়াও দেখা নাছিলোঁ।
সৰুৰে পৰা এটাই শিক্ষা পাইছিলোঁ
সদায় সঁচা কথা কোৱা
আৰু কাৰো অন্যায় নকৰাৰ।
আশীৰ্বাদ কৰিব যাতে আমিও
সেই আদৰ্শ ল'ব পাৰোঁ যেন।
আজি আপোনাৰ আদ্য শ্ৰাদ্ধৰ দিনা
এটোপাল অশ্ৰুৰে শ্ৰদ্ধাঞ্জলি জনাইছোঁ।
আপুনি য'তেই আছে শান্তিৰে থাকক।
**(০৬/০৭/২২তাৰিখ দেউতাৰ আদ্যশ্ৰাদ্ধৰ উপলক্ষে।)**

# লেখকৰ নিসংগতা

পুলিন ডেকা



এজন লেখকৰ সৃষ্টিশীলতাক মহীয়ান কৰাৰ বাবে নিসংগতাৰ কিমান প্ৰয়োজন? নিসংগতাই লেখকৰ সৃষ্টিশীল চেতনাক কিমানদূৰ প্ৰভাৱিত কৰিব পাৰে? এনেবোৰ বিষয় অৱশ্যে যুক্তিসংগত দৃষ্টিভংগীৰে বিশ্লেষণ কৰাৰ প্ৰয়োজনীয়তা আছে। এগৰাকী লেখকে সমাজবীক্ষাৰ সামগ্ৰিক ধাৰণাৰে অহৰহ আত্মজিজ্ঞাসাৰ সন্ধান কৰে। কৃচ্ছ্ৰ সাধনা, ঐকান্তিকতাৰ মাজত সৃষ্টিৰ যি চেতনা, সেয়া নীৰৱতাৰ বহিপ্ৰকাশ। প্ৰশ্ন হ'ব পাৰে সমাজবিচ্যুত লেখক এজনে প্ৰচুৰ কল্পনা শক্তিৰে পাঠকৰ হৃদয়বৃত্তক আকৰ্ষণ কৰিব পৰা কালজয়ী সাহিত্য সৃষ্টি কৰাটো সম্ভৱনে? নীৰৱ সাধনা প্ৰসংগত ড° বাণীকান্ত কাকতিয়ে কৈছিল- 'পৃথিবীৰ বুৰঞ্জীত বা ভাবমণ্ডলীত যিসকল পুৰুষে আটাইতকৈ বেছি খলকনি লগাই গৈছে, সেইবোৰ পুৰুষৰ আঁতি-গুৰি বিচাৰিলে দেখা যাব যে তেওঁলোকে কাৰো চকুতেই পৰাবিধৰ লোক নাছিল। পাঁচশ বছৰ পূৰ হোৱা নাই ছেইক্সপীয়েৰক লৈ কাব্যজগত তোলপাৰ। অথচ ছেইক্সপীয়েৰ কোন আছিল, কি কৰিছিল কোনেও গম পোৱা নাই। বহুতে তেনে মানুহ নাই বুলিয়েই ক'ব খোজে। সেইদৰে আমাৰ কালিদাসৰ বিষয়েও বুৰঞ্জী নিমাত। অথচ ভাৰতীয় কাৰ্য্যজগত তেওঁৰ গৌৰৱেৰে গৌৰৱান্বিত।' বিশ্ববিশ্ৰুত বহু প্ৰসিদ্ধ লেখকে নীৰৱে জীৱনজোৰা সাধনাৰে বিশ্ব সাহিত্যলৈ অমূল্য অবদান যোগাই গৈছে। নীৰৱতাৰ মাজেৰে কাল্পনিক স্বত্ব বা আদৰ্শৰ সপোন বাস্তৱত পৰিণত কৰিব পৰা যায়। বৌদ্ধিক চেতনা এক সৃজনাত্মক কলা। যাৰ মাজত নিহিত থাকে সমাজ ৰূপান্তৰ অথবা ঐতিহাসিক সত্য। নিসংগতাই নীৰৱতাৰ আচ্ছাদন গঢ়ি তোলে। ভাৰতীয় ধ্ৰুপদী মহাকাব্যসমূহৰ মাজেৰে নীৰৱতাৰ প্ৰয়োজনীয়তাক তুলি ধৰিবলৈ গৈ ঋষি, দৈত্য-দানৱসকলে কঠোৰ তপস্যাৰ জৰিয়তে সাধনাত মগ্ন হৈ অভিষ্ট সিদ্ধি কৰাৰ অলেখ কাহিনী পোৱা যায়। ১৯৫৪ চনত সাহিত্যৰ নোবেল বঁটা গ্ৰহণ কৰি দিয়া ভাষণ প্ৰসংগত মহান লেখক আৰ্নেষ্ট হেমিংৱেই কৈছিল- 'এটা অকলশৰীয়া জীৱন লেখকৰ ক্ষেত্ৰত উত্তম জীৱন। লেখকৰ বাবে সংগঠনে নিসংগতাক দূৰ কৰে। কিন্তু ইয়াৰ দ্বাৰা তেওঁৰ লেখাৰ উন্নতি হয় নে নহয়, তাক লৈ মোৰ সন্দেহ আছে। নিজৰ নিসংগতাক পৰিহাৰ কৰাৰ লগে লগে তেওঁৰ ৰাজহুৱা উচ্চতা বৃদ্ধি পায় আৰু প্ৰায়ে তেওঁৰ কামৰ অৱনতি ঘটে। কাৰণ তেওঁ নিজৰ কাম অকলেই কৰে আৰু তেওঁ যদি যথেষ্ট ভাল লেখক হয়, তেন্তে তেওঁ প্ৰতি দিনে অনন্তকাল বা ইয়াৰ অভাৱৰ সন্মুখীন হ'ব লাগিব।'
লিখাটো সৰ্বোত্তম ৰূপত এক অকলশৰীয়া জীৱন। এগৰাকী সাহিত্যিকৰ নিসংগতাৰ মাজেৰে সৃষ্ট লেখাই পাঠকক সামাজিক সত্তাৰ স্বৰূপ প্ৰদান কৰে। মানুহৰ মাজত মিলনৰ ঐক্যতান গঢ়ে। লেখকৰ সেই নীৰৱ সৃষ্টিশীলতাই সমগ্ৰ মানৱ সমাজৰ বাবে প্ৰেৰণাৰ উৎস হৈ পৰে। উদ্ভাসিত কৰিব পাৰে আলোকময় গতি। মানৱীয় স্বৰূপৰ সামগ্ৰিকতা। ডেভিড ফষ্টাৰ ৱালেছৰ মতে, সাহিত্যৰ আটাইতকৈ ডাঙৰ লক্ষ্য সংযোগ স্থাপন, প্ৰত্যাহ্বান জনোৱা আৰু মানুহক অকলশৰীয়া হোৱাৰ পৰা মুক্ত কৰা। এজন লেখকে নিজেই নীৰৱতাৰ পথিক হোৱা সত্ত্বেও মানুহক নিসংগতাৰ পৰা মুক্ত কৰিব বিচাৰে। এয়া হৈছে এজন লেখকৰ সামাজিক দায়বদ্ধতাৰ স্বৰূপ আৰু মানৱীয় চেতনাৰে সিক্ত এক চেতনা। সাহিত্যিকৰ চিন্তাৰ যি বিন্যাস তাত বহু দূৰন্ত ভাবনাই ক্ৰিয়া কৰে। নিজৰ সৃষ্টিক সৰ্বোচ্চ শিখৰলৈ নিয়াৰ, প্ৰয়াস কৰে। আমেৰিকান কবি ৰেমণ্ড কাৰ্ভাৰে তেওঁ গাড়ীত প্ৰায়ে নোটপেডত লিখিছিল। কিন্তু ইয়াৰ অৰ্থ এইটোৱে নহয় যে প্ৰতিজন লেখকে অকলশৰীয়া সত্তাৰে সৃষ্টিৰ চেতনাত মগ্ন হ'ব লাগিব। নিসংগতাৰ মাজত ভাৰসাম্য ৰক্ষা কৰাটো এগৰাকী লেখকৰ বাবে কঠিন কাম। এজন লেখক নিসংগ হোৱাটো বাধ্যতামূলক হ'ব নোৱাৰে। ব্ৰেকিং বেডখ্যাত ভিন্স গিলিগানৰ দৰে বহু চিত্ৰনাট্যকাৰে আন লেখকৰ সৈতে এটা কোঠাত ঘণ্টাৰ পিচত ঘণ্টা চিত্ৰনাট্য তৈয়াৰ কৰিছিল। কিন্তু বহু লেখকৰ বাবে চিন্তা আৰু সৃষ্টি কৰিবলৈ সময় আৰু নিসংগতাৰ প্ৰয়োজন। আমেৰিকাৰ কল্পবিজ্ঞানৰ লেখক তথা অধ্যাপক আইজাক আছিমভে এবাৰ কৈছিল যে সৃষ্টিশীলতাৰ ক্ষেত্ৰত বিচ্ছিন্নতাৰ প্ৰয়োজন। সৃষ্টিশীল ব্যক্তিয়ে যিকোনো ক্ষেত্ৰত নিৰন্তৰভাৱে কাম কৰি থাকে। লেখক এগৰাকী সচেতন নহ'লেও তেওঁৰ মনটোক সকলো সময়তে বিষয়বস্তুৱে খেদি ফুৰে। অন্তৰ্মুখিতাই এগৰাকী লেখকক নীৰৱ সাধকলৈ ৰূপান্তৰিত কৰে নেকি? নে চিন্তা আৰু মনৰ জৈৱিক তাড়নাই লেখক এগৰাকীক নিসংগ হ'বলৈ বাধ্য কৰে। মাৰ্ক টোৱেইনে যিদৰে

***(দহ পৃষ্ঠাত চাওক)***

# মাদ্ৰাছাত আকৌ চলিল

যিদিনাখনৰ পৰা এজনো হক্কানী-ৰাব্বানী আলিম/উলামা পৃথিৱীত বুকুত নাথাকিব সেইদিনাখনৰ পৰাই মহাপ্ৰলয় আৰম্ভ হ'ব। সেয়ে আলিম/উলামাই তেওঁলোকৰ উপৰত ন্যস্ত দায়িত্ব আৰু ঈশ্বৰৰ প্ৰদত্ত নিয়ামসমূহ সৰোগত কৰি চলা উচিত। তেওঁলোকে সন্ত্ৰাস ৰূপী জেহাদীৰ লগত প্ৰেম-প্ৰীতি কৰাৰ পৰিৱৰ্তে জেহাদ সমন্ধে ইছলামৰ ধাৰণা কি সেয়া বিশ্বব্যাপী প্ৰচাৰ কৰা উচিত। ধ্ৰুৱ সত্যটোক পাহৰি গলে নহব যে, য'ত ইছলাম আছে ত'ত সন্ত্ৰাসবাদ নাই আৰু য'ত সন্ত্ৰাসবাদ আছে ত'ত ইছলাম নাই। ইছলাম হৈছে এটা শান্তিৰ ধৰ্ম, ইয়াত অশান্তি বা সন্ত্ৰাস সৃষ্টি কৰিব বিচৰা সকলৰ কোনো স্থান নাই। ইছলামে কেতিয়াও হিংসাৰ অনুমতি নিদিয়ে আৰু যিয়ে নিজকে মুছলমান আৰু মহাপুৰুষ হজৰত মহম্মদ (ছঃ)ৰ অনুচৰ বুলি দাবী কৰি কাৰোবাক অন্যায়ভাৱে হত্যা কৰিব পাৰে প্ৰকৃতপক্ষে তেওঁ কদাপি মুছলমান হ'বই নোৱাৰে, বৰঞ্চ সি চইতানৰ অনুচৰহে। হয়, যিসকলে দৰমহাৰ বিনিময়ত মাদ্ৰাছাত থাকি জেহাদীৰ লগত মিতিৰালি কৰে তেওঁলোকক ফাষ্ট ট্ৰাক আদালৰ জৰিয়তে দ্ৰুত বিচাৰ কৰিব ফাঁচিকাঠত উলমাব লাগে। কিন্তু দুই এজন অপৰাধী ব্যক্তিৰ ভুলৰ বাবে এটা শিক্ষানুষ্ঠান ভাঙি চূৰমাৰ কৰি দিয়াটো উচিত নহয়। যিয়ে ভুল কৰিছে প্ৰকৃতপক্ষে তেওঁৱেই জগৰীয়া, তাৰ বাবে আন কাৰোবাক অপৰাধী সজাই শাস্তি দিয়াটো সংবিধান তথা ভাৰত ৰাষ্ট্ৰৰ উদাৰতাৰ পৰিপন্থী।

# হাজী মুছাফিৰ খানাত এসন্ধ্যা

গোপাল জালান

ভাৰতত আজাদী কি অমৃত মহোৎসৱৰ সৈতে সংগতি ৰাখি স্বাধীনতা দিৱসৰ দিনা আয়োজন কৰা হয় বিভিন্ন অনুষ্ঠানৰ। ৭৫ বছৰীয়া মহোৎসৱৰ চিৰস্মৰণীয় কৰি ৰাখিবলৈ দেশৰ আন ৰাজ্যৰ লগতে অসমতো প্ৰায়ভাগ অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠন আদিয়ে আয়োজন কৰে সম্বৰ্ধনা আদিৰ। সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ বিশেষ বৰঙণি আগবঢ়োৱা ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰিলে দেশৰ এই গৌৰৱময় ক্ষণত। এনে একক্ষণৰ সাক্ষী হ'বলৈ নেহেৰু ষ্টেডিয়ামৰ সমীপতে লাগি থকা হাজী মুছাফিৰ খানাই ৭৫ সংখ্যক স্বাধীনতা দিৱসত সম্বৰ্ধনা জ্ঞাপন কৰিলে ৰাজ্যৰ ২৩ গৰাকী বিশিষ্ট ব্যক্তিক। ১৯৭৫ চনত গঠন হোৱা হাজী মুছাফিৰ খানাই বিগত সময়ছোৱাত সমাজৰ প্ৰতিটো স্তৰৰ লোকক বিভিন্ন ধৰণে সহায়-সহযোগ কৰি আহিছে। যোৱা ১৫ আগষ্টৰ সন্ধিয়া আয়োজিত এক অনুষ্ঠানত সম্বৰ্ধনা জ্ঞাপন কৰা লোকসকলৰ মাজত মোৰো নাম অন্তৰ্ভুক্ত হৈছিল। উক্ত



অনুষ্ঠানটোত উপস্থিত থাকিবলৈ পাই নিজকে ধন্য মানিছোঁ। কাৰণ এনে একোটা অনুষ্ঠানৰে জড়িত হ'ব পৰাতো পৰম সৌভাগ্যৰ কথা। আমি সমাজলৈ কি ধৰণৰ অৱদান আগবঢ়াইছোঁ সেইটো ডাঙৰ কথা নহয়, সৰাতোকৈ গুৰুত্বপূৰ্ণ বিষয়টো হ'ল এনে ধৰণৰ সম্বৰ্ধনাই কাম কৰিবলৈ প্ৰেৰণা যোগায়। সমাজৰ প্ৰতি সকলোৰে দায়িত্ব আছে। এই দায়িত্ব সকলোৱে পালন কৰা উচিত। এইক্ষেত্ৰত হাজী মুছাফিৰ খানায়ো বিগত সময়ছোৱাত দায়িত্ব ভালদৰে সম্পাদন কৰি আহিছে।

হাজী মুছাফিৰ খানাই হজ যাত্ৰীসকলক সদায় সহায় কৰি আহিছে। তদুপৰি দুখীয়া লোককো বিভিন্ন ধৰণে সহায় কৰিছে। বিপদৰ সময়ত অসহায় লোকক সহায়-সহযোগিতা আগবঢ়োৱাৰ ক্ষেত্ৰত হাজী মুছাফিৰ খানাৰ ভূমিকা বিশেষ মন কৰিবলগীয়া। এনে ধৰণৰ অনুষ্ঠানে সমাজৰ সকলো লোকৰ মাজত সমন্বয় প্ৰতিষ্ঠাৰ লগতে ভ্ৰাতৃত্ববোধ অটুট ৰাখিবলৈ চেষ্টা চলায়। সমাজত এনেধৰণৰ অনুষ্ঠানৰো সদায় প্ৰয়োজন। কাৰণ সমাজৰ মূলচালিকা শক্তি হ'ল অনুষ্ঠান-প্ৰতিষ্ঠান। মানুহৰ মাজত সৃষ্টি হোৱা মতবিৰোধ, সংঘাত আদি নোহোৱা কৰাৰ ক্ষেত্ৰত সদায় অনুষ্ঠান-প্ৰতিষ্ঠানেই আগভাগ লৈ আহিছে। হাজী মুছাফিৰ খানাৰ এইক্ষেত্ৰত ব্যতিক্ৰম নহয়। ১৯৭৫ চনৰ পৰা এই অনুষ্ঠানটোৱে বৰ্তমানলৈকে যিখিনি কাৰ্য্য সম্পাদন কৰিছে তাৰ ওপৰত চকু ফুৰালেই ইয়াৰ গুৰুত্ব ওলাই পৰিব। সেয়েহে সমাজৰ সকলো শ্ৰেণীৰ লোকেই এনে অনুষ্ঠানক শক্তিশালী কৰাত সহায় কৰিব লাগে।

১৫ আগষ্টৰ উক্ত অনুষ্ঠানটোত উপস্থিত থাকি খুবেই ভাল লাগিল। অতি শৃংখলাবদ্ধভাৱে অনুষ্ঠিত এই অনুষ্ঠানটোৱে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত প্ৰতিগৰাকী ব্যক্তিয়ে মত-বিনিময় কৰে। হাজী মুছাফিৰ খানাই সোণালী জয়ন্তী বৰ্ষৰ দিশে অগ্ৰসৰ হৈছে। যিকোনো অনুষ্ঠান এটাই গৌৰৱোজ্বল সোণালী জয়ন্তীৰ দিশে ধাৱমান হোৱাটো গৌৰৱৰ বিষয় হিচাপে গণ্য কৰা হয়। এই অনুষ্ঠানটোৰ সতে জড়িত বিশিষ্ট ব্যক্তিসকল বিগত সময়ছোৱাত ত্যাগৰ যি নিদৰ্শন দেখুৱাই গ'ল সেই বিষয়ে প্ৰচাৰ কৰাৰ সময় আহি পৰিছে। সমাজৰ জটিল সন্দিক্ষণত উপযুক্ত পদক্ষেপ গ্ৰহণ কৰা হাজী মুছাফিৰ খানাই সমাজত সদায় ভ্ৰাতৃত্ববোধ স্থাপনৰ বাবে কাম কৰি আহিছে।

সাধাৰণতে হাজী মুছাফিৰ খানা বুলি ক'লে এক নিৰ্দিষ্ট পৰিসীমাৰ মাজত সীমাবদ্ধ থকা এটা অনুষ্ঠানৰ দৰে ধাৰণা হয়। কিন্তু ইয়াৰ চৌহদত প্ৰৱেশ কৰাৰ পাছত এনেধৰণৰ মানসিকতাৰ সলনি হ'বলৈ ধৰে। কাৰণ এনে অনুষ্ঠানৰ উদ্দেশ্য আৰু লক্ষ্য সদায় মহান। মাথোঁ সাধাৰণ ৰাইজৰ মাজত উপস্থাপন কৰাটোহে গুৰুত্বপূৰ্ণ বিষয়। আমাৰ সমাজত এতিয়াও এনে কিছু লোক আছে যিসকলে সদায় অপব্যাখ্যাৰ ওপৰতহে গুৰুত্ব দিয়ে। এনে অপব্যাখ্যাই সমাজত বিভেদৰহে সৃষ্টি কৰে। গতিকে আমি এনেধৰণৰ বিষয়ে ব্যাখ্যা কৰোতে সদায় সতৰ্কতা অৱলম্বন কৰা উচিত। স্বাধীনতা দিৱসৰ অমৃত মহোৎসৱত এই অনুষ্ঠানটোৱে যি আদৰ্শ দেখুৱালে সেয়া স্বাধীনতাৰ এশ বছৰীয়া উৎসৱতো অব্যাহত থাকিব বুলি আশা কৰিলোঁ। এনেদৰে সদায় কাম-কাজৰে আগুৱাই গৈ থাকক। তেতিয়া সমাজৰ লগতে দহৰ নিশ্চয় উপকাৰ সাধন হ'ব।

# শংকৰদেৱৰ অংকীয়া নাট আৰু নাৰী চৰিত্ৰ

বিন্দু ৰাজবংশী কলিতা

নাৰীৰ প্ৰতি শংকৰদেৱৰ উদাৰ দৃষ্টি ভংগী আছিল। তেওঁৰ সৃষ্টিসমূহত নাৰীৰ প্ৰতি থকা গভীৰ শ্ৰদ্ধা আৰু সহনশীল মনোভাৱ স্পষ্টতাৰে ফুটি ওলাইছিল। শংকৰদেৱৰ কাব্য অথবা ভক্তি মুলক গ্ৰন্থ সমূহত নাৰীক বিভিন্ন ক্ষেত্ৰত মহীয়সী ৰূপত প্ৰকাশ কৰি তুলিছে। তাৰ লগে লগে নাৰীৰ প্ৰতিবাদী ৰূপ এটাও তুলি ধৰিবলৈ সক্ষম হৈছে। উল্লেখনীয় যে তেওঁ ৰচনা কৰা চয়খন অংকীয়া নাটকতেই নাৰী চৰিত্ৰই মুখ্য ভূমিকা লোৱা দেখা যায়। শংকৰদেৱৰ ৰচিত চয়খন নাটক ক্ৰমে পত্নী প্ৰসাদ, কেলি গোপাল, কালীয় দমন, ৰুক্মিনী হৰণ, পাৰিজাত হৰণ আৰু ৰাম বিজয়। প্ৰতিখন নাটকতে তেওঁ নাৰী চৰিত্ৰক অন্যতম ৰূপত প্ৰকাশ কৰিছে। নাটকৰ গভীৰতা আৰু অগ্ৰগতিত নাৰী চৰিত্ৰই একোটা বিশেষ ভূমিকা পালন কৰিছে। তলৰ চমু আলোচনাৰ পৰা সেই কথা বুজা যায়।

পত্নী প্ৰসাদঃ নাৰী চৰিত্ৰক অন্যতম ৰূপত তুলি ধৰা নাট সমূহৰ ভিতৰত পত্নী প্ৰসাদক প্ৰথম স্থানত থব পাৰি। এই নাটকখনত নাৰী বুলি কলে ব্ৰাহ্মণী সকলকে বুজা যায়। ব্ৰাহ্মণ পত্নী সকলে শ্ৰীকৃষ্ণ, বলোৰামৰ লগতে অন্যান্য গোপবালক সকলক ভোকাতুৰ অৱস্থাত নানাবিধ সুস্বাদু ব্যঞ্জনেৰে তৃপ্ত কৰিছে। নিজৰ স্বামী আৰু পুত্ৰ সকলৰ বাধা নামানি ব্ৰাহ্মণ পত্নী সকলে এটা মহানতাৰ পৰিচয় দিছে । যি কাৰ্যৰ জৰিয়তে ভাৰতীয় মহিলাসকলৰ অতিথি পূজনৰ চৰিত্ৰ এটা সুন্দৰ ভাবে প্ৰকাশ পাইছে।

ৰুক্মিনী হৰণঃ ৰুক্মিনী হৰণ মূলত শ্ৰীকৃষ্ণ আৰু ৰুক্মিনীৰ প্ৰেম আৰু মিলনৰ কাহিনী। এইখন নাটকৰ প্ৰধান চৰিত্ৰটোৱেই হৈছে ৰুক্মিনী। ৰুক্মিনীৰ উপৰিও বান্ধৱী লীলাৱতী, মদনা, মঞ্জৰী আদি চৰিত্ৰ আছে যদিও ৰুক্মিনীক বিশেষ গুৰুত্ব দিয়া হৈছে। ৰুক্মিনী অতিকৈ তীক্ষ্ণ বুদ্ধি সম্পন্না, সুন্দৰী নাৰী ৰূপে চিহ্নিত হৈছে।তেওঁৰ এই গুণৰ প্ৰতি মোহিত হৈ প্ৰেমিক কৃষ্ণৰ এক বুজাব নোৱৰা ভাবৰ সঞ্চাৰ হৈছে। নাটকখনত ত্ৰিজগতৰ পতি নাৰায়নৰ ৰূপ সৌন্দৰ্যৰ বৰ্ণনা শুনি ৰুক্মিনীৰ হৃদয়তো ভক্তি প্ৰেমৰ সৃষ্টি হৈছে আৰু কৃষ্ণক স্বামী ৰূপে পাবলৈ আকুল হৈ উঠিছে। জন্মে জন্মে কৃষ্ণক স্বামী ৰূপে পাব বিছাৰি কৈ উঠিছে "জন্মে জন্মে কৃষ্ণ হৈবন্ত মোৰ পতি"কৃষ্ণৰ প্ৰতি থকা গভীৰ প্ৰেমৰ বাবেই অনেক ৰজা মহাৰজাৰ বৈবাহিক প্ৰস্তাৱ প্ৰত্যাখ্যান কৰি নিজৰ পিতৃ -মাতৃ ঘৰবাৰী ত্যাগি শ্ৰীকৃষ্ণৰ জীৱন সংগিনী হবলৈ আগবাঢ়িছে। তথাপিও পিতৃ গৃহ এৰি দ্বাৰকালৈ যোৱাৰ আগতে শোকত কাতৰ হৈছে। কৃষ্ণৰ সৈতে বিবাহত বাধা প্ৰদান কৰা প্ৰধান শত্ৰু নিজ ভাতৃ ৰুক্মকক খণ্ড কৰিছে যদিও শ্ৰীকৃষ্ণই কাটিবলৈ উদ্যত হওতে ভনীয়েকৰ চেনেহৰ শপত দি কৃষ্ণৰ ভৰিত পৰি ভায়েকৰ প্ৰাণ ভীক্ষা মাগিছে। ৰুক্মিনীৰ চৰিত্ৰত ভাৰতীয় নাৰীৰ পতিব্ৰতা, সুকোমল হৃদয়ৰ ছবি বিদ্যমান হৈ উঠিছে। নিসন্দেহে ৰুক্মিনী এগৰাকী মহীয়সী নাৰীৰ ৰূপত উপস্থাপন কৰা হৈছে।

পাৰিজাত হৰণঃ এই নাটকখন শংকৰদেৱে নৰকাসুৰ বধ আৰু পাৰিজাত হৰণৰ ঘটনাৰাজীক লগ কৰি অতি চতুৰতাৰে সৃষ্টি কৰিছে। নাটকখনত প্ৰধান নাৰী চৰিত্ৰ ক্ৰমে সত্যভমা, শচী আৰু ৰুক্মিনী। ইয়াৰ ভিতৰত আটাইতকৈ শ্ৰদ্ধাশীল চৰিত্ৰটো হৈছে ৰুক্মিনী। ৰুক্মিনী হৈছে অপৰূপা, ধীৰ স্থিৰ, মৃদুভাষিনী। তাৰ বিপৰীতে শচী আৰু সত্যভমা হৈছে মুখচালু অভিমানী, অহংকাৰী ।নাটখনত শচী আৰু সত্যভমাক দুটা ঈৰ্ষাপৰায়ণ চৰিত্ৰত উপস্থাপন কৰিছে। নাৰীয়ে নাৰীৰ প্ৰতি ঈৰ্ষান্বিত হোৱা স্বভাৱৰ বাবেই শচী আৰু সত্যভমাৰ মাজত গালি গালাজ, কথাৰ কটাকটিৰ সংলাপ দিয়া হৈছে। আনকি স্বয়ং শ্ৰীকৃষ্ণকো ভৰ্ৎসনা কৰা দেখা গৈছে। সহজ সৰল ৰুক্মিনীক অনেক কৰ্কথনা কৰিছে। এফালে শান্ত শীষ্ট ৰুক্মিনী আনফালে অহংকাৰী, ঈৰ্ষাপৰায়ন সত্যভমা আৰু শচীৰ মুখ্য চৰিত্ৰৰ মাজেৰে নাটকৰ কাহিনীয়ে গতি কৰিছে।

কালিয়দমনঃকালিয় দমন নাটকত নাগপত্নী, মাতৃ যশোদা আৰু ব্ৰজগোপী সকলেই হৈছে মুখ্য চৰিত্ৰ। যশোদা হৈছে অতিশয় ধাৰ্মিক এগৰাকী স্নেহময়ী মমতাময়ী মাতৃ। গকুলত হৈ অহা অপায় অমংগল বোৰক নাশ কৰি সকলোকে ৰক্ষা কৰি থকা কৃষ্ণ হৈছে গকুলবাসীৰ হিয়াৰ আমঠু। কৃষ্ণৰ প্ৰতি গকুলবাসীৰ ইমানেই মৰম যে কৃষ্ণ অবিহনে তেওঁলোক বিৰহত কাতৰ হৈ পৰে। গকুল শূন্য বুলি ভাবে। কৃষ্ণই কালিয় নাগৰ নাগপাশৰ পৰা লগৰীয়া বোৰক উদ্ধাৰ কৰিছিল। সমগ্ৰ গকুলত তেতিয়া আতংকৰ সৃষ্টি হয়। কণমানি কৃষ্ণই কালিন্দি নদীত



কালিয় নাগৰ লগত যুদ্ধ কৰি থকা দৃশ্য মাতৃ যশোদাই সহিব পৰা নাই। পুত্ৰৰ স্নেহত ইনাই বিনাই বিলাপ কৰিছে। সেই বিলাপ শুনি সকলোৱে হিয়া শোকত ম্ৰিয়মান হৈ পৰিছে। এগৰাকী মাতৃৰ পুত্ৰ স্নেহ আৰু অকৃত্ৰিম মমতাক সুন্দৰ ভাবে প্ৰদৰ্শন কৰা হৈছে।

কেলিগোপালঃ ভাগৱতৰ দশম স্কন্ধৰ পৰা কেইটামান অধ্যায়ৰ সৰু সৰু কাহিনী ভাগেৰে কেলিগোপাল নাটখন সৃষ্টি কৰা হৈছে। নাটকখনত নাৰীৰ প্ৰেম আৰু সুন্দৰৰ আৰাধনাক অতি মনোৰমভাবে প্ৰকাশ কৰা হৈছে। এই নাটকখনত গোপীসকল

(দহ পৃষ্ঠাত চাওক)

# শংকৰদেৱৰ অংকীয়া

হৈছে মুখ্য নাৰী চৰিত্ৰ। কৃষ্ণৰ প্ৰতি থকা অগাধ প্ৰেমক গোপী সকলে কেনেকৈ নিবেদন কৰিছিল তাকে উপস্থাপন কৰা হৈছে। শ্ৰীকৃষ্ণৰ ৰূপ সৌন্দৰ্য আৰু ঐশ্বৰিক মহিমাত মুগ্ধ হৈ কিদৰে কাম-বন -, ঘৰ-বাৰী এৰি কৃষ্ণৰ ওছৰলৈ ঢাপলি মেলিছে তাকে প্ৰকাশ হৈছে। মূলতঃ ইয়াতে কেৱল ভক্তি প্ৰেমকহে প্ৰাধান্য দিয়া হৈছে। শাস্ত্ৰ মতে ভগৱানক ভক্ত সকলে পাঁচ প্ৰকাৰে লাভ কৰিব পাৰে। সেয়া হ'ল- দাস ভাবে, পিতৃ-মাতৃ ভাবে, বন্ধু ভাবে, বৈৰী ভাবে, আৰু প্ৰেমিক বা পত্নী ভাবে। কেলিগোপাল নাটকত কৃষ্ণক গোপীসকলে প্ৰেমিক বুলি ভাবে যদিও এয়া কেৱল ভক্তি প্ৰেমহে। ৰাম বিজয়ঃ এই নাটকখন কাহিনী ভাগ বাল্মিকী ৰচিত ৰামায়নৰ আদি কাণ্ডৰ পৰা লোৱা হৈছে। শংকৰদেৱ বিৰচিত ৰাম বিজয় তেওঁৰ জীৱনৰ অন্তিম নাটক। নাটখনৰ প্ৰধান চৰিত্ৰ হৈছে জনকনন্দিনী সীতা। নাটখনত সীতাক অতিশয় ধৰ্মপৰায়নী, পতিব্ৰতা ৰূপত দেখুৱাইছে। সীতাৰ অন্তৰত প্ৰেম, ভয়, শংকা, দুৰ্বলতা সকলো চৰিত্ৰই ফুটাই তোলা হৈছে। নাটকখনত সীতাক ৰাজকুমাৰীৰ ৰূপত নেদেখুৱাই কেৱল ৰামৰ ভক্ত, পতিব্ৰতা, অতি অজলা, সখী প্ৰিয় সুশীল নাৰী এগৰাকীৰ ৰূপত উপস্থাপন কৰিছে। ৰামচন্দ্ৰক লগ পোৱাৰ আগতেই সীতাৰ প্ৰেমৰ পুৰ্বৰাগ হোৱা দেখুৱাইছে।

# লেখকৰ নিসংগতা


অন্তৰ্মুখিতাৰ মাজত সৃষ্টিৰ চেতনাক ব্যাপ্ত কৰিছিল, ঠিক একেদৰে উইলিয়াম শ্বেইক্সপীয়েৰ, হোমাৰ, জেন অষ্টেন, আগাথা ক্ৰীষ্টি, জন গ্ৰীন, জে ৰাউলিং আদিৰ দৰে বহু অন্তৰ্মুখী লেখকে সম্পূৰ্ণ নীৰবভাৱে নিজৰ সৃষ্টি চেতনাত মগ্ন হৈছিল। "দা ফল্ট ইন আবাৰ ষ্টাৰছ'ৰ লেখক জন গ্ৰীনে কৈছিল- 'লিখাটো অন্তৰ্মুখী, কাৰণ ই অকলে কৰা হয়। যিসকল অন্তৰ্মুখী লোকে আপোনাক কাহিনী এটা ক'ব বিচাৰে, কিন্তু সেইটো কৰি থাকোতে চকুৰ সংস্পৰ্শ কৰিব নিবিচাৰে, কাৰণ তেওঁলোকৰ বাবে ই এক পেছা।' এজন লেখকে নিজস্ব চিন্তাৰে এখন নতুন দুৱাৰ মুকলি কৰিব বিচাৰে। ঘণ্টাৰ পিচত ঘণ্টা নিৰৱচ্ছিন্নভাৱে কাম কৰিব পাৰে, একে সময়তে সঠিক শব্দৰ বাবে অধ্যৱসায় কৰিব পাৰে। অন্তৰ্মুখীসকল কিয় মহান লেখক? এই শ্ৰেণীৰ লেখকে অধিক পৰ্যবেক্ষণ কৰিব বিচাৰে। মানুহক সঠিকভাবে বিশ্লেষণ কৰিব বিচাৰে। পৃথিৱীখনক অধিক সঠিকভাৱে বিচাৰ কৰাৰ সম্ভাৱনাৰ ক্ষেত্ৰসমূহক অন্বেষণ কৰে। এগৰাকী লেখকৰ বাবে সৃষ্টিশীলতাই জীৱনৰ ৰস। প্ৰতিগৰাকী অন্তৰ্মুখী ব্যক্তিৰ চিন্তা কৰাৰ প্ৰৱণতা অধিক সুতীব্ৰ। এটা অধ্যয়নত দেখা গৈছে যে অন্তৰ্মুখী লোকৰ মগজুৰ সন্মুখত অধিক ধূসৰ পদাৰ্থ থাকে। ইয়াৰ অৰ্থ হ'ল- অন্তৰ্মুখীসকলে নিজৰ শক্তি আৰু সম্পদৰ অধিক অংশ বিমূৰ্ত চিন্তাৰ বাবে উছৰ্গা কৰে। অন্তৰ্মুখীসকল স্বাভাৱিকতে শ্ৰোতা। তেওঁলোকে তথ্যসমূহ আভ্যন্তৰীণভাৱে প্ৰক্ৰিয়াকৰণ কৰে, বুজিব পাৰে আৰু সাৱধানে অৰ্ন্তদৃষ্টি প্ৰদান কৰিব পাৰে। তেনেকৈয়ে তেওঁলোকে হয়তো বহুতো তথ্য সংগ্ৰহ কৰে, যিয়ে তেওঁলোকৰ সৃষ্টিশীলতাত সহায় কৰে। আনহাতে অধিক মানসিক একগ্ৰতাই লেখক এগৰাকীক নিসংগতাৰ আশ্ৰয় ল'বলৈ বাধ্য কৰে।

কৃষ্ণকান্ত সন্দিকৈ, আনন্দৰাম বৰুৱাৰ দৰে বিদ্বান, পুৰোধা সাহিত্যিকসকলে অকল কৃচ্ছ সাধনাৰে নহয়, নীৰৱতাৰ মাজত সৃষ্ট সাহিত্যৰাজিয়ে বিশ্ব সাহিত্যকো সমৃদ্ধ কৰিছে। লেখক এগৰাকীয়ে সামাজিক দায়বদ্ধতাৰে তেওঁৰ সমস্ত চিন্তা কেন্দ্ৰীভূত কৰিব বিচাৰে। ইয়াৰ বাবে তেওঁ বিচাৰে এক নিৰাপদ, সুৰক্ষিত সামাজিক পৰিবেশ। সামাজিক বিচ্ছিন্নতা বা নিসংগতাই এগৰাকী লেখক নিজৰ সৃষ্টিৰ চেতনাৰ সজাগ কৰিব পাৰে। প্ৰায়ে লেখকৰ নিসংগতাক ব্যক্তিগত, আনকি সাৰ্বজনীন আৰু মানসিক দুখ হিচাপেও অভিহিত কৰা হয়। ধৰ্মনিৰপেক্ষতা, বিচ্ছিন্নতা আৰু প্ৰতিযোগিতাৰ ধাৰণাৰ পৰা অহা নিসংগতা অথবা নীৰৱতাৰ বিষয়টো ১৮০০ চনৰ পৰা প্ৰয়োগ হৈ আহিছে। কেতিয়াবা হতাশাগ্ৰস্ততাই লেখক এজনক নিসংগ হ'বলৈ বাধ্য কৰে। মাৰ্ক টোৱেইনে প্ৰচণ্ড হতাশাত নিমজ্জিত হৈ জেতিয়া নীৰৱতাক আশ্ৰয় হিচাপে লৈছিল, তেতিয়াও তেওঁ সৃষ্টিৰ সাধনাক নিসংগতাৰ সৈতে সমাহাৰ কৰিছিল। দা শ্বাইনিং, পেট চেমেটাৰী, কেৰী আদি বিদ্যাত গ্ৰহন লেখক ষ্টিফেন কিঙে হতাশাত আচ্ছন্ন হৈ নিসংগতাক আশ্ৰয় হিচাপে লোৱাৰ সময়ত মদ্যপান কৰি নিৰলস সৃষ্টি কাৰ্যত ব্ৰতী হৈ আছিল। এফ স্কট ফিটজেৰালেণ্ড হতাশজনক পৰিঘটনাৰ আলমত বিখ্যাত উপন্যাস লিখিবলৈ সক্ষম হৈছিল। কিয় এগৰাকী লেখকে হতাশা আৰু নীৰৱতাক আচ্ছন্ন কৰাৰ পিচতো নিজৰ সৃষ্টিত নিমজ্জিত হৈ থকাৰ ক্ষমতা আহৰণ কৰে? এগৰাকী লেখকৰ মানসিক স্থিতি অধিক শক্তিশালী আৰু জীৱনৰ কঠিন প্ৰত্যাহ্বান গ্ৰহণ কৰাৰ ক্ষমতাৰ অধিকাৰী হৈ পৰে। আমেৰিকাৰ অন্যতম শ্ৰেষ্ঠ নাট্যকাৰ টেনেচি উইলিয়ামছে অন্যান্য ৰচনাৰ লগতে 'দ্য গ্লাৰ্চ মেনেজেৰী' আৰু 'এ ষ্ট্ৰীটকাৰ নেমড ডিজিয়াৰ' নামৰ ক্লাছিক গ্ৰন্থ দুখনৰ মাজেৰে প্ৰত্যক্ষ কৰিব

পৰা যায় এজন লেখকৰ পাৰিবাৰিক নিসংগতা আৰু প্ৰত্যাহ্বান। দুয়োখন গ্ৰন্থতে মানসিক ৰোগত আক্ৰান্ত নায়িকাক দেখা গৈছে। বহু সমালোচকে সেই চৰিত্ৰ নিজৰ ভনীয়েকৰ পৰা সৃষ্ট বুলি ক'ব বিচাৰে। তেওঁৰ ভনীয়েক স্কিজ'ফ্ৰেনিয়া ৰোগত আক্ৰান্ত আছিল। ভনীয়েকৰ সেই অসুস্থতাই তেওঁৰ জীৱনলৈ হতাশা নমাই আনিছিল আৰু অৱশেষত মদ্যপান কৰি এক নিসংগ জীৱনৰ আশ্ৰয় লৈছিল। এনে কঠিন প্ৰত্যাহ্বানৰ মাজত নিজৰ সৃষ্টিৰ সাধনাৰ পৰা বিচ্ছিন্ন হোৱা নাছিল। খ্যাতি আৰু সৌভাগ্যই এজন লেখকক নিজৰ নিসংগ আৱেগিক আকৰ্ষণৰ পৰা মুক্ত কৰিব নোৱাৰে অথবা বিষণ্ণতাৰ পৰা মুক্ত কৰিব নোৱাৰে। এজন লেখকৰ বাবে লিখাটো আনক সংকেত দিয়াৰ উপায় হ'ব পাৰে, আন এজনৰ বাবে ই তেওঁলোকৰ ৰুমিনেটিভ প্ৰচেষ্টাৰ পৰা পোৱা অন্তদৃষ্টি লিপিবদ্ধ কৰাৰ উপায় হ'ব পাৰে। এজন লেখকে সমৰ্পিতভাৱে নিজৰ সৃষ্টিৰ সাধনাত ব্ৰতী হোৱাৰ সময়ত অৱশ্যেই নিসংগতাৰ আশ্ৰয় লোৱাৰ বিকল্প নাথাকে। সেইবাবে হয়তো মহান বিজ্ঞান এলবাৰ্ট আইনষ্টাইনে কৈছিল- সৃষ্টিশীলতা হ'ল আনে যি দেখে আৰু আনে যি ভাবিব নোৱাৰে সেইটো চিন্তা কৰা। এইগৰাকী বিজ্ঞানীয়ে সৃষ্টিৰ অনাবিল আনন্দ যে মানুহৰ বাবে আৰু চিন্তাৰ ক্ষেত্ৰখন যে নিজস্ব শৈলীৰে গঢ়িব লাগে তাক উপলব্ধ কৰিব পাৰিছিল। সৃষ্টিশীল প্ৰক্ৰিয়াটো হৈছে মানুহৰ অন্যতম জটিল বিষয় যদিও সুন্দৰ। কাৰণ ইয়ে মানুহৰ অন্তৰাত্মাক নতুন দিশৰ সন্ধান দিব পাৰে। এগৰাকী লেখক সৃষ্টিশীল মানসিকতাৰ বাবেই তেওঁ নিজকে আৰু পৃথিৱীখনক বুজিব পৰা ক্ষমতা আহৰণ কৰে। সেইবাবেই ক'ব পাৰি এগৰাকী লেখকৰ নিসংগতা হৈছে অৰ্ন্তদৃষ্টি, যিয়ে সৃষ্টিৰ বাবে আত্মপ্ৰেৰণাৰ উৎস হৈ পৰে।

# জগতগুৰু গুৰু শংকৰ


নিতিষ্মান দাস, অষ্টম শ্ৰেণী



হে জগতগুৰু গুৰু শংকৰ,
পৰম ৰতন তুমি হৰি ভকতৰ।
হে মহান পুৰুষ গুৰু শংকৰ,
উজ্বলাই দিলা নাম বৰ অসমৰ
থাপিলা তুমি হৰিনাম ধৰম,
ধৰমৰ হকে কত কৰিলা কৰম।
প্ৰচাৰিলা তুমি গুৰু হৰিৰ নাম,
পৱিত্ৰ কৰিলা বৰদোৱা ধাম।
আকাশী গংগা বোৱালা
বৰদোৱাত,
ধৰমৰ ধল বোৱালা এইখনি
ধৰাত।
বামানয় শাস্ত্ৰ মোহ তুমি
নাশিলা,
বলি বিধানৰ পৰা আমাক মুক্ত
কৰিলা।
নিৰক্ষৰজনক তুমি প্ৰকাশ
দেখালা,
অজ্ঞানী সমাজক জ্ঞান
বিয়পালা।
নামঘৰ সাজি মণিকূট স্থাপিলা,
সমাজ গঢ়ি আমাক এক কৰিলা।
খোল গঢ়ি নাট ৰচি অমৰ হ'লা,
বৰগীত ৰচি অসম সুবীয়া
কৰিলা।
ব্ৰজাৱলী ভাষাৰ তুমি সৃষ্টি
কৰিলা,
কীৰ্ত্তন ৰচনা কৰি ঈশ্বৰৰ জ্ঞান
দিলা।
মণিকাঞ্চন সংযোগে মাধৱক
পালা,
তব দেৱ বাণীৰে মাধৱক
মোহিলা।
কাশিগএগ্ৰা বৃন্দাবন তীৰ্থ ভ্ৰমণ
কৰিলা,
হাতী মাৰি ভুৰুকাত ভৰাই
লিখিলা গুণমালা।
তোমাৰ সৃষ্টি আজিও অসমৰ
ঘৰে ঘৰে,
তোমাৰ বাবে সকলোৰে গৌৰৱ
কৰে।
জগত গুৰু তুমি গুৰু শংকৰ,
পৰম ঈশ্বৰৰ যেন তুমি
অংশধৰ।
সহস্ৰ কৌটি প্ৰণাম তোমাৰ
চৰণত,
সু-মঙ্গলময় কৰি ৰাখা এই
জগত
।। এক দেৱ এক সেৱ এক বিনে
নাহি কেৱ ।।
।। জয় জয় জগতগুৰু
শংকৰদেৱ।।

# কেন্দ্ৰ

শৰ্মিষ্ঠা দেৱী, আমোলাপট্টি



এটি বৃত্তৰ জন্ম
এটা বিন্দুক কেন্দ্ৰ কৰি,
বৃত্তৰ পৰিধিত ৰৈ
ঢুকি নাপাঁও
কেন্দ্ৰবিন্দুক
চুই চাব নোৱাৰি-
তাৰ মূলশিপা।
পৰিধি বাঢ়ি যায় বৃত্তৰ,
সমানে বাঢ়ি যায়
দূৰত্ব-
কেন্দ্ৰ আৰু পৰিধিৰ।
ব্যাস হোৱা হ'লেও
পাৰ হৈ আহিলোহেতেন,
ব্যাসাৰ্ধও নহয়
যে সেতুঁ সাজিম-
পৰিধিৰ পৰা কেন্দ্ৰলৈ।
বৃত্তৰ সীমনাত থকা
মই এটা শূন্য,
বৃত্তৰ অৱয়বৰ সৈতে যি পৰিপূৰ্ণ ।।

# ENGLISH NEWS SECTION

## Sarma launches Rashtriya Poshan Maah

Guwahati, RB News: Assam chief minister Himanta Biswa Sarma on Thursday launched Rashtriya Poshan Maah 2022 under Poshan Abhiyan in a program organized by the women & child development department in the city. Speaking on the occasion, Sarma said that following the vision of Prime Minister Narendra Modi to make the country free from malnutrition, the State government has been implementing a number of programs to eradicate malnutrition and anaemia. Sarma said that a State project management unit has been set up for monitoring the implementation of Poshan Abhiyan in Assam. Six services under the integrated child development scheme (ICDS) have been monitored by this unit that have played an important role in eradicating anaemia among pregnant women & adolescent girls, underweight & malnutrition in children, etc. He further added that for effective implementation of ICDS services at the level of anganwadi centres, a mobile application named Poshan Tracker has been implemented across the State. So far 61,690 mobiles have been distributed among anganwadi workers and they have been trained accordingly. Several ICDS services have been monitored through this app, where 42,83,529 beneficiaries are registered with it till date." Stating that the government is making all possible efforts to encourage Jan Bhagidari (public participation) to turn the Poshan Abhiyan into a Jan Andolan (mass movement), Sarma informed that a campaign called Poshan Panchayat will be organized across Assam during Poshan Maah this year. This is aimed at generating awareness about nutritious foods, ways to prevent anaemia, and maintaining hygiene during the menstruation period, he added. Moreover, through an initiative called Poshan Vatika, various activities will be taken up including plantation of medicinal trees at anganwadi centres and schools. Generating awareness about Yoga for good health, conducting anaemia eradication camps for adolescent girls in tea gardens are also on the card. In presence of State minister Ajanta Neog, Assam Legislative Assembly's women & child welfare committee's chairperson Suman Haripriya and several other dignitaries, Sarma disclosed that people should be made aware about locally available iron-rich food products, fruits & vegetables through various competitions. He also insisted on promoting Yoga among youth and urged the teachers to encourage students to practice it regularly.



## Assam Governor administers oath to APSC Chairman



Guwahati, RB News: Assam Governor Prof. Jagdish Mukhi administered the oath of office to Bharat Bhushan Dev Choudhury as the Chairman of Assam Public Service Commission in the presence of the Chief Minister Dr.Himanta Biswa Sarma at a programme held at Durbar Hall in Raj Bhavan here today. Earlier, the Chief Secretary to the Govt. of Assam Paban Kumar Borthakur sought the permission of the Governor to start the proceedings of the ceremony. Members of the APSC, Additional Chief Secretary Niraj Verma, Director General of Police Bhaskar Jyoti Mahanta, Commissioner and Secretary to the Governor S.S. Meenakshi Sundaram, Deputy Commissioner Kamrup(M) Pallav Gopal Jha and several senior government officers were also present on the occasion.

## Orientation cum Refresher Training for health professionals of Private Hospitals



Guwahati, RB News: A one-day orientation cum refresher training with medical officers, counselling personnel and laboratory technicians of private hospitals was organized by Assam State AIDS Control Society (ASACS) at Assam Administrative Staff College on August 31, 2022. Medical officers comprising pathologists, microbiologists and gynaecologists and other technical officials from 22 private hospitals of Kamrup (M), Kamrup and Nalbari districts participated in the workshop. These private hospitals are working in the field of HIV with ASACS under Public Private Partnership (PPP). During workshop, the participants were enlightened on HIV and Syphilis screening, referral and coverage, care, support and treatment, HIV (Prevention & Control) Act 2017 and other aspects related to HIV. The participants actively participated in the training in each session as per the agenda and were awarded with certificates.

## Minister Pijush Hazarika's sudden visit to rehabilitation centre



Guwahati, RB News:State minister for social justice and empowerment Pijush Hazarika paid a sudden visit to a private rehabilitation centre titled Peace Wellness Foundation in the city on Thursday. During his visit, Hazarika witnessed the pathetic condition of the centre, where necessary facilities for the residents were not provided. He warned the concerned authorities of immediate actions. With no healthcare facilities at the centre, Hazarika directed the joint director of district health services to conduct a health camp for the residents at the earliest. Following the allegation of anti-social activities going on at the centre, the minister asked the police to strictly monitor for the next few days.Speaking to reporters in Dispur, Hazarika commented that if a number of people are kept in an unhealthy environment, the physical and mental condition of drug-addicts would only worsen. He added that the government would soon frame policies to run the rehabilitation centres. Meanwhile, he is going to discuss various issues with the authorities of all rehabilitation centers in the city on Saturday.

E-mail us-
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

Rongili Barta

GUWAHATI—781025

১৮ ভাদ ১৪২৭ চন Rongili Barta, Date of Publication-- 4 September, 2022

## Cutie of the Week



Advik Dutta Lahkar

## Photography of the Week



Maina Talukdar

Beauty of the Week Art of the Week আৰু · Photography of the Week লৈ আপোনালোকৰ ফটোবোৰ আমালৈ E-mail যোগে প্ৰেৰণ কৰক
E-mail-
rongilibartamedhi@gmail.com
Whatsapp - 9854215286




## Art of the Week



Hemanta Saikia

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286